
সংবাদ সেৱাৰে, দেশৰ সেৱাত ৩১ বছৰৰ এক অবিৰত যাত্ৰা...
গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

Govt. of Assam Approved
Postal Redg. No. GH- 098/2012-17
৩১ বছৰ, ১২ সংখ্যা, ৯ চ'ত, ৰবিবাৰ,১৪৩১ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪
RNI No.53883/94. GHY- 781025. Vol. 31: Issue No. 12 Date of Publication- 23 March 2025 Rs. 10.00/-

## উচ্চতৰ মাধ্যমিকৰ প্ৰথম বৰ্ষৰ পৰীক্ষা ২৯ মাৰ্চলৈ বাতিল



ৰঙিলী বাৰ্ত্তাসেৱা- এখনৰ পাছত আনখনকৈ প্ৰশ্নকাকত ফাদিল হোৱাৰ পাছত বাতিল কৰা হৈছে উচ্চতৰ মাধ্যমিকৰ প্ৰথম বৰ্ষৰ বাকী থকা পৰীক্ষাসমূহ। অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদ (এএছএছইবি) দ্বিতীয় মণ্ডলে প্ৰথম বৰ্ষৰ পৰীক্ষাসমূহ বাতিল কৰিছে। অহা ২৪ মাৰ্চৰ পৰা ২৯ মাৰ্চলৈ অনুষ্ঠিতব্য বিষয়সমূহৰ পৰীক্ষা বাতিলৰ সিদ্ধান্ত লৈছে। ফলত উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ ৩ লক্ষাধিক শিক্ষাৰ্থী গভীৰ শংকিত হৈ পৰিছে। প্ৰশ্নকাকত ফাদিলৰ ঘটনাই মনোবল ভাঙি পেলোৱাৰ পাছত এইবাৰ পৰীক্ষা বাতিলৰ সিদ্ধান্তই পৰীক্ষাৰ্থীসকলক কাৰ্যতঃ অনিশ্চয়তাৰ মাজলৈ ঠেলি দিলে। অভিযোগ উঠিছে- এএছএছইবিৰ দ্বিতীয় মণ্ডলৰ একাংশ বিতৰ্কিত বিষয়াৰ অবিবেচকী কৰ্মকাণ্ডৰ ফল ভুগিবলগীয়া হৈছে হাজাৰ হাজাৰ পৰীক্ষাৰ্থীয়ে। এএছএছইবিৰ দ্বিতীয় মণ্ডলৰ ভাৰপ্ৰাপ্ত পৰীক্ষা নিয়ন্ত্ৰক ৰঞ্জন কুমাৰ দাস স্বাক্ষৰিত নিৰ্দেশনাটোত উল্লেখ কৰা মতে পৰীক্ষা অনুষ্ঠিত হ'বলৈ বাকী থকা বিষয়সমূহৰ প্ৰশ্নকাকতো ফাদিল হোৱাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি। যিহেতু এই প্ৰশ্নকাকতসমূহ পৰীক্ষা অনুষ্ঠিত হোৱা ৰাজ্যৰ প্ৰতিখন শিক্ষানুষ্ঠানৰ জিম্মাত আছে। এনে প্ৰেক্ষাপটত পূৰ্ব নিৰ্ধাৰিত সময়সূচী অনুসৰি ২৪ মাৰ্চৰ পৰা ২৯ মাৰ্চলৈ অনুষ্ঠিত হ'বলগীয়া বাকী বিষয়সমূহৰ পৰীক্ষা বাতিলৰ সিদ্ধান্ত লোৱা হৈছে। এএছএছইবি-২/এইচএছ ফাৰ্ষ্ট ইয়াৰ/ ইনষ্ট্ৰাকচনছ/২০২৫/১৯ নম্বৰ নিৰ্দেশটোত উল্লেখ কৰা অনুসৰি অহা ২৪ মাৰ্চত অনুষ্ঠিতব্য এএছএছইবিৰ দ্বিতীয় মণ্ডলৰ 'বৰ্ড মিটিঙ'ত পৰৱৰ্তী সিদ্ধান্ত গ্ৰহণ কৰা হ'ব। উল্লেখযোগ্য যে শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে পৰীক্ষা বাতিলৰ সন্দৰ্ভত কয় যে প্ৰশ্নকাকত ফাদিল হোৱা আৰু প্ৰট'কল উলংঘাৰ বাতৰিৰ বাবে চলিত বৰ্ষৰ উচ্চতৰ মাধ্যমিকৰ প্ৰথম বৰ্ষৰ বাকী থকা বিষয়সমূহৰ পৰীক্ষা বাতিল কৰা হৈছে। ইফালে

(দহ পৃষ্ঠাত চাওক)

## ফাদিল হোৱা প্ৰশ্নকাকতেৰে অনুষ্ঠিত হ'ল প্ৰথম বৰ্ষৰ অৰ্থনীতিৰ পৰীক্ষা




ৰঙিলী বাৰ্ত্তাসেৱা- শিক্ষা পৰিষদৰ অধীনত ৰাজ্যৰ বিভিন্ন শিক্ষানুষ্ঠান অনুষ্ঠিত হৈ আছে উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ চূড়ান্ত পৰীক্ষা। ইয়াৰ মাজতে শুকুৰবাৰে নিশা অৰ্থনীতি বিষয়ৰ প্ৰশ্নকাকতৰ প্ৰতিলিপি ছাত্ৰ-ছাত্ৰীৰ ম'বাইলে ম'বাইলে ভাইৰেল হৈ পৰাৰ পিছতো ফাদিল হোৱা প্ৰশ্নকাকতেৰে শিক্ষা পৰিষদে পৰীক্ষা অনুষ্ঠিত কৰাৰ পাছত ৰাজ্যজুৰি শৈক্ষিক মহলত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। অতি তাৎপৰ্যপূৰ্ণভাৱে এই বিষয়টো একাংশ সংবাদ মাধ্যমতো প্ৰকাশ পাইছিল। তাৰ পিছতো শিক্ষা পৰিষদে কোনোধৰণৰ ব্যৱস্থা নকৰাকৈ জাৰি কৰা এক নিৰ্দেশনাই স্তম্ভিত কৰি তুলিছে শৈক্ষিক মহলক। অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ ডিভিজন- II ৰ সচিবে জাৰি কৰা নিৰ্দেশনাটোত কোৱা হৈছে যে শনিবাৰে পুৱা প্ৰায় ৮ বজাত পৰিষদে উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ অৰ্থনীতি বিষয়ৰ প্ৰশ্নকাকত ফাদিল হোৱা বুলি এক তথ্য লাভ কৰিছে। সন্দেহ কৰা হৈছে প্ৰশ্নকাকতখন ফাদিল হৈছে। যিহেতুকে শনিবাৰে পুৱা ৯ বজাৰ পৰা পূৰ্বনিৰ্ধাৰিত সূচী অনুসৰি পৰীক্ষা অনুষ্ঠিত হোৱাৰ কথা আছে গতিকে অধিকাংশ পৰীক্ষাৰ্থীয়ে পৰীক্ষা কেন্দ্ৰলৈ ইতিমধ্যে পৰীক্ষা দিবলৈ ৰাওনা হৈছে। সেইবাবেই পূৰ্বনিৰ্ধাৰিত কাৰ্যসূচী অনুসৰিয়ে পৰীক্ষা অনুষ্ঠিত কৰিবলৈ সকলো মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু বিদ্যালয়সমূহৰ পৰিদৰ্শকক নিৰ্দেশ দিয়ে শিক্ষা পৰিষদে। উল্লেখ্য যে শুকুৰবাৰে নিশা তিনিচুকীয়া জিলা ফিল'বাৰী অঞ্চলৰ উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ অধিকাংশ ছাত্ৰ-ছাত্ৰীয়ে ম'বাইল ফোনৰ হোৱাটছএপযোগে লাভ কৰিছিল অৰ্থনীতি বিষয়ৰ চূড়ান্ত পৰীক্ষাৰ প্ৰশ্নকাকতখন। একাংশ ছাত্ৰ-ছাত্ৰীয়ে প্যঁনতম ১০০ টকাকৈ পৰিশোধ কৰি প্ৰশ্নকাকতখন লাভ কৰিছিল বুলি জানিব পৰা গৈছে। এই সন্দৰ্ভত শুকুৰবাৰে নিশাই ফিল'বাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ বিষয়ববীয়াই কথাটো অৱগত হৈ তিনিচুকীয়া জিলা বিদ্যালয়

(দহ পৃষ্ঠাত চাওক)

## বি চি পি এলে বছৰি ৫০০ কোটি টকা লোকচানৰ সন্মুখীন হৈছেঃ মুখ্যমন্ত্ৰী



ৰঙিলী বাৰ্ত্তাসেৱা- ডিব্ৰুগড়ৰ লেপেটকটাস্থিত ব্ৰহ্মপুত্ৰ ক্ৰেকাৰ এণ্ড প'লিমাৰ লিমিটেড চমুকৈ বি চি পি এলে বছৰি ৫০০ কোটি টকা লোকচানৰ সন্মুখীন হৈছে। বিগত দুটা বছৰত প্ৰকল্পটো ১০০০ কোটি টকা লোকচানৰ সন্মুখীন হৈ আছে। শনিবাৰে বি চি পি এল প্লান্ট প্ৰকল্পটো পৰিদৰ্শন কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সংবাদ মাধ্যমৰ আগত এই কথা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে দেশৰ ৰাজহুৱা খণ্ডৰ অন্যতম প'লিমাৰ উদ্যোগটো সম্প্ৰতি লোকচানৰ বাবে বেংকৰ ঋণেৰে চলি আছে। মন কৰিবলগীয়া যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০১৬ চনৰ ৫ ফেব্ৰুৱাৰীত উদ্বোধন কৰা এই প্ৰকল্প ঐতিহাসিক অসম চুক্তিৰ অংশ হিচাপে স্থাপন কৰা হৈছিল আৰু এতিয়া ন বছৰ পৰিচালনা সম্পূৰ্ণ কৰিছে। বিচিপিএলত গেইল লিমিটেডৰ ৭০ শতাংশৰ বিপৰীতে অইল ইণ্ডিয়া, নুমলীগড় শোধনাগাৰ আৰু ৰাজ্য চৰকাৰে ৩০ শতাংশ বিনিয়োগ কৰিছে। প্ৰধানমন্ত্ৰী

(দহ পৃষ্ঠাত চাওক)

# দিল্লী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশৰ ঘৰত টকাৰ পাহাৰ



ৰঙিলী বাৰ্তাসেৰা- দিল্লী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশৰ ঘৰত সংঘটিত অগ্নিকাণ্ডই দেশজুৰি সৃষ্টি কৰিছে চাঞ্চল্য। দিল্লী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশৰ বাসগৃহত উদ্ধাৰ টকাৰ পাহাৰ। ন্যায়াধীশ যশৱন্ত বাৰ্মাৰ বাসগৃহত বিগত সপ্তাহত অগ্নিকাণ্ড সংঘটিত হৈছে। এই অগ্নি নিৰ্বাপণ কৰিবলৈ যাওঁতে অগ্নিনিৰ্বাপক বাহিনী আৰু আৰক্ষীৰ লোকে ন্যায়াধীশ যশৱন্ত বাৰ্মাৰ বাসগৃহত টকাৰ পাহাৰ উদ্ধাৰ কৰে। বিপুল পৰিমাণৰ নগদ টকা উদ্ধাৰ হোৱাৰ পাছত এই বিষয়টো আৰক্ষীয়ে কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ক অৱগত কৰে। প্ৰায় গোপনে ৰাখিব খোজা এই ভয়াৱহ দুৰ্নীতিৰ বিষয়ে পাছলৈ সংবাদ মাধ্যমত প্ৰচাৰ হয় উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ সঞ্জীৱ খান্নাই ন্যায়াধীশ যশৱন্ত বাৰ্মাক বদলি কৰাৰ পাছত। বিপুল পৰিমাণৰ নগদ ধন উদ্ধাৰ হোৱাৰ পাছত আৰক্ষীয়ে ন্যায়াধীশ (দহ পৃষ্ঠাত চাওক)

# গৌতম কলিতালৈ ডক্টৰেট ডিগ্ৰী আমেৰিকাৰ প্ৰতিষ্ঠিত বিশ্ববিদ্যালয়ৰ



ৰঙিলী বাৰ্তাসেৰা- অসমলৈ গৌৰৱ কঢ়িয়াই আনিছে গুৱাহাটীৰ গৌতম কলিতাই। কৃষি খণ্ডত নিৰৱচ্ছিন্নভাৱে আগবঢ়াই অহা সেৱাৰ বাবে গুৱাহাটীৰ গৌতম কলিতাক আমেৰিকাৰ চিদাৰব্ৰুক বিশ্ববিদ্যালয়ে (Cedarbrook University) কৃষি খণ্ডৰ ডক্টৰেট অব ফিল'ছফি ডিগ্ৰী প্ৰদান কৰিছে। যোৱা ৫ মাৰ্চত প্ৰদান কৰা এই সন্মানীয় ডিগ্ৰী যুৱ প্ৰজন্মৰ মাজত আদৰ্শ হিচাপে পৰিগণিত হ'ব বুলি বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষই আশা প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে গুৱাহাটী মহানগৰীৰ অম্বিকাগিৰী নগৰৰ ভগদত্ত পথ নিবাসী মহেশ্বৰ কলিতা আৰু গংগা কলিতাৰ পুত্ৰ গৌতম কলিতাই গুজৰাটৰ জুনাগড় অঞ্চলত ২০১৬ চনত প্ৰতিষ্ঠা কৰিলে 'এগ্ৰিকেয়াৰ বায়'টেক প্ৰাইভেট লিমিটেড' নামৰ জৈৱিক সাৰ উৎপাদন কৰা কাৰখানাটো। জৈৱিক সাৰৰ বিশ্বজুৰি জনপ্ৰিয়তাৰ (দহ পৃষ্ঠাত চাওক)

# Space Xত কৰ্মৰত অসমীয়া অভিযন্তা ভৱানীপ্ৰসাদ শৰ্মাক অভিনন্দন অসম জাতীয় পৰিষদৰ



ৰঙিলী বাৰ্তাসেৰা- ভাৰতীয় মূলৰ আমেৰিকান মহাকাশচাৰী সুনীতা উইলিয়ামছৰ মৰ্ত্যলৈ প্ৰত্যাৱৰ্তনত নাছা আৰু স্পেচ এক্সৰ অভিযানত জড়িত অসমীয়া বিজ্ঞানী ভৱানী শৰ্মাক অভিনন্দন জনাইছে অসম জাতীয় পৰিষদে। এক প্ৰেছবাৰ্তাত দলটোৰ সভাপতি লুৰীণজ্যোতি গগৈ আৰু সাধাৰণ সম্পাদক জগদীশ ভূঞাই কয়, 'বিশ্ববাসীক চমকিত কৰি তোলা সুনীতা উইলিয়ামছৰ পৃথিৱীমুখী ৰোমাঞ্চকৰ অভিযানত অসম সন্তান ভৱানীপ্ৰসাদ শৰ্মাই এগৰাকী অন্যতম অংশীদাৰ হিচাপে নিজৰ সেৱা আগবঢ়োৱাত আমি সুখ (দহ পৃষ্ঠাত চাওক)


# নিকুঞ্জ শৰ্মাৰ 'ব্ৰেকিং দ্য ছাইলেঞ্চ-এ জাৰ্নী অৱ মাইন' উন্মোচন





ৰঙিলী বাৰ্তাসেৰা- কেচি দাস কমাৰ্চ কলেজৰ পৰা স্নাতকোত্তৰ ডিগ্ৰীধাৰী, যুৱ লেখক, গুৱাহাটী শান্তিপুৰ নিবাসী নিকুঞ্জ শৰ্মাই লিখা 'ব্ৰেকিং দ্য ছাইলেঞ্চ-এ জাৰ্নী অৱ মাইন' শীৰ্ষক ২৭২ পৃষ্ঠাৰ এখন বিদ্যায়তনিক গ্ৰন্থ কালি গুৱাহাটীৰ নেহৰু পাৰ্কত উন্মোচন কৰা হয়। লেখক শৰ্মাৰ পিতৃ মুনীন্দ্ৰ কুমাৰ শৰ্মা, মাতৃ অৰ্চনা শৰ্মা, বায়েক দীপান্বিতা শৰ্মাৰ লগতে বহুকেইগৰাকী সাহিত্য-সংস্কৃতিৰ অনুৰাগী, শুভাকাংক্ষীৰ উপস্থিতিত গ্ৰন্থখন উন্মোচন কৰে - প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ অধ্যাপক তথা সাপ্তাহিক বাতৰি কাকত ৰঙিলী বাৰ্তাৰ স্বাত্বাধিকাৰী তথা মুখ্যঃসম্পাদক (দহ পৃষ্ঠাত চাওক)

সম্পাদকীয় শিতান....

# আপোনাৰ ৰং কি? ৰং সলাব জানেনে?







দেৱাশীষ গোস্বামী

ৰং বুজা হোৱাৰে পৰা বিভিন্ন ৰঙৰ সৈতে আমাৰ সম্বন্ধ। সৰুৰে পৰা ৰামধেনুৰ সাতোতা ৰঙৰ সৈতে আমাৰ এক বুজাব নোৱাৰা নিবিড় সম্পৰ্ক। ৰং অবিহনে আমাৰ জীৱনটো তেনেই অসাৰ। দেৱী-দেৱতা সকলো বিভিন্ন সময়ত নানা ৰঙৰ প্ৰেমত মতলীয়া হৈ পৰাৰ অলেখ উদাহৰণ।

আমাৰ দৈনন্দিন জীৱনতো বিভিন্ন ৰঙে দখল কৰি আহিছে এক গুৰুত্বপূৰ্ণ স্থান। আমাৰ কৰ্ম ভেদে, ৰুচি ভেদে, সময় ভেদে বিভিন্ন ৰঙে আমাৰ জীৱনত প্ৰাধান্য লাভ কৰে। 'ড্ৰেছ্ কড' বৰ্তমান সময়ৰ বিভিন্ন অনুষ্ঠানত ব্যৱহৃত এক জনপ্ৰিয় আকৰ্ষণীয় ফেক্টৰ। প্ৰধানতঃ ছোৱালী, বোৱাৰী সকলৰ মাজত। মুঠতে ৰংবিহীন জীৱন সামাজিক প্ৰাণী হিচাপে আমাৰ সপোনৰো অগোচৰ।

এতিয়া আহকচোন আলোকপাত কৰো আমি জীৱশ্ৰেষ্ঠ হিচাপে স্বীকৃত দুঠেঙীয়া প্ৰাণী বিধৰ মাজত বিৰাজমান সময়ে সময়ে ৰং সলোৱা আমাৰ মাজৰে বিভিন্ন জনৰ জীৱন শৈলীৰ ওপৰত।

এই ধৰা যাওঁক মোৰ ৰং সেউজীয়া, লগ পালো আপোনাক, আপোনাৰ ৰং নীলা। লগ পোৱাৰ সময়ত আপুনি নিৰ্ঘাট জ্ঞাত যে সেউজীয়া ৰঙটোৰ প্ৰভুত্ব সেই বিশেষ সময় কণত অতিকৈ বেছি। এতেকে আপুনি নিজকে তৎক্ষণাত নীলা ৰং এৰি সেউজীয়া ৰঙলৈ ঢাল খুৱাই ল'লে। আকৌ ক্ষন্তেক পিছতে আপুনি লগ পালে এজন ৰঙা ৰঙৰ ব্যক্তিক, তেওঁৰো প্ৰভুত্ব আপোনাতকৈ বেছি। উপায় নাই, আকৌ ৰং সলনি কৰিবলৈ আপুনি বাধ্য। আপুনিও উপায় বিহীন, কাৰণ সেইয়াই আপোনাৰ জীৱন শৈলী। অভ্যস্ত আপুনি। নিজৰ স্বাৰ্থ সিদ্ধিৰ বাবে সময় সাপেক্ষে বিভিন্ন ৰঙত ঢাল খুৱাত আপুনি সিদ্ধহস্ত।

কিন্তু কিমান দিনলৈ? নিগাজী ৰঙৰ আমি বোৰক বিভিন্ন সময়ত, বিভিন্ন পৰিস্থিতিত ৰং সলোৱাত সিদ্ধহস্ত আপুনি যেতিয়া মুখামুখি হ'ব এটা বেলেগ ৰঙেৰে আভূষিত হৈ, এই ধৰক হালধীয়া ৰঙৰ ব্যক্তি এজনৰ লগত আপুনি নিজকে নীলা ৰঙৰ পৰা হালধীয়ালৈ ঢাল খুৱাই নিজৰ আচল স্বৰূপটো ঢাকি বিভিন্ন ধৰণৰ গুৰু-গম্ভীৰ ৰসাল আলোচনাত ব্যস্ত, ঠিক তেনে সময়তে অমুকাৰ আৱিৰ্ভাৱ। কেনে হ'ব পাৰে বাৰু আপোনাৰ প্ৰতিক্ৰিয়া? আপুনি তৎক্ষণাত য'ত ৰং সলোৱা অসম্ভৱ। 'ফাট মেলা বসুমতী পাতালে লুকাও' নে নিৰ্লজ আত্মসমৰ্পণ? নে নিৰৱে তলমূৰ কৰি প্ৰস্থান? নে ৰঙৰ সলোৱাৰ সিদ্ধহস্ততাৰ গৌৰৱেৰে (?) গৌৰান্বিত আচল নগ্ন স্বৰূপটো ঢকাৰ বৃথা চেষ্টা?

বৰ্তমান সময়ত আমাৰ চাৰিওফালে প্ৰত্যেক পদক্ষেপত ৰং সলোৱাৰ এক অঘোষিত প্ৰতিযোগিতাৰ দপদপনিয়েই নহয় জানো সুলভ?

পিছে আপোনাৰ প্ৰকৃত ৰং কি? আপুনিও সিদ্ধহস্ত নে ৰং সলোৱাত, আচল নগ্ন স্বৰূপ ঢাকি ৰখাৰ বৃথা চেষ্টাত?

# ৰাজ্যৰ ৩, ৮৮, ৩৫৮ গৰাকী হিতাধিকাৰীলৈ গৃহ নিৰ্মাণৰ অনুমোদন পত্ৰ বিতৰণ মুখ্যমন্ত্ৰীৰ



ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যৰ লাখ লাখ হিতাধিকাৰীয়ে প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণৰ অধীনত প্ৰথম কিস্তিৰ ধনৰাশি লাভ কৰিলে। গৃহ প্ৰদানেৰে জীৱন ধাৰণৰ মান উন্নীতকৰণৰ উদ্দেশ্যে পলাশবাৰীৰ ৰামপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আয়োজিত এক অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যজুৰি প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণৰ অধীনত ৩, ৮৮,৩৫৮ গৰাকী হিতাধিকাৰীলৈ গৃহ অনুমোদন-পত্ৰ প্ৰদান কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। এই কেন্দ্ৰীয় অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে আনুষ্ঠানিকভাৱে ১০ গৰাকীক গৃহ অনুমোদন-পত্ৰ প্ৰদান কৰে। উল্লেখ্য যে মুখ্যমন্ত্ৰীগৰাকীয়ে সমগ্ৰ ৰাজ্যখনৰ বাবে প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণৰ অধীনত এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰে আৰু এই পদক্ষেপৰ অংশ হিচাপে প্ৰথম কিস্তিৰ ৩৭, ৫০০ টকা হিতাধিকাৰীক একাউণ্টযোগে প্ৰদান কৰে। এই বৃহৎ অনুষ্ঠানটোত ভাষণ দি মুখ্যমন্ত্ৰী ড° শৰ্মাৰ ঘোষণা-ৰাজ্যৰ প্ৰতিগৰাকী দৰিদ্ৰ পৰিয়ালে গৃহ লাভ কৰাটো নিশ্চিত কৰাৰ বাবে ৰাজ্য চৰকাৰে গাঁৱে গাঁৱে গৈ জিঅ' টেগিঙৰ ব্যৱস্থা আৰম্ভ কৰিব। যাতে কোনো দৰিদ্ৰ পৰিয়ালে গৃহৰ পৰা বঞ্চিত নহয়। মুখ্যমন্ত্ৰী ড° শৰ্মাই ইয়াকো স্পষ্ট কৰি দিয়ে যে কোনো দালাল প্ৰকৃতিৰ লোকে যাতে হিতাধিকাৰীৰ পৰা এটকাও সংগ্ৰহ কৰিব নোৱাৰে, তাৰো ব্যৱস্থা কৰা হৈছে। গৃহ প্ৰদানৰ নামত কোনো দালাল প্ৰকৃতিৰ লোকে যদি ধন বিচাৰে তেন্তে ইয়াৰ বাবে হোৱাটছএপ নম্বৰত অভিযোগ দাখিল কৰিলেই চৰকাৰে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিব। সেয়াই নহয়, গাঁৱে গাঁৱে আৰম্ভ হ'ব আঁচনিৰ নামত ধন লোৱা দালাল প্ৰকৃতিৰ লোকক নাকী লগোৱা অভিযান। ইয়াৰ বাবে ৰাজ্য চৰকাৰে এটা হোৱাটছএপ নম্বৰ উপলব্ধ কৰাব আৰু এই নম্বৰত অভিযোগ দাখিল কৰিলেই আৰক্ষীয়ে ল'ব কঠোৰ ব্যৱস্থা। মুখ্যমন্ত্ৰী ড° শৰ্মাই ইয়াকো স্পষ্ট কৰে যে এইবাৰ জিঅ' টেগিঙৰ বাবে বিভাগীয় কৰ্মচাৰীসকলে গাঁৱে গাঁৱে নাযায়। ইয়াৰ বাবে জীৱিকা সখীসকলক প্ৰশিক্ষিত কৰা হৈছে। তেওঁলোকে নিজৰ গাঁৱৰ পৰা বাহিৰৰ গাঁৱলৈ গৈ প্ৰ-পত্ৰ পূৰণ কৰি দিয়াৰ লগতে ঘৰৰ ছবি তুলিব। ইয়াৰ পিছত গাঁওসভাৰ জৰিয়তে প্ৰকৃত দৰিদ্ৰ পৰিয়ালৰ নাম নিৰ্ধাৰণ কৰা হ'ব। খণ্ড উন্নয়ন পৰ্যায়ত ৰাজ্য চৰকাৰে এখন সমিতি গঠন কৰি দিব আৰু অনুৰূপভাৱে জিলা (নপৃষ্ঠাত চাওক)

# অৱশেষত মৃত্যুৰ ওচৰত হাৰ মানিলে অৰিণাই



ৰঙিলী বাৰ্ত্তাসেৱা- অৱশেষত জীৱন যুঁজত হাৰ মানিলে কাজিৰঙা বিশ্ববিদ্যালয়ৰ ছাত্ৰী আৰিনা বড়োই। ৮ দিনে মৃত্যুৰ সৈতে যুঁজি হাৰ মানিলে কাজিৰঙা বিশ্ববিদ্যালয়ৰ ছাত্ৰী আৰিনা বড়োয়ে। ১২ মাৰ্চত যোৰহাটৰ পুলিবৰত সংঘটিত পথ দুৰ্ঘটনাত পতিত হৈছিল আৰিনা। লগে লগে সংকটজনক অৱস্থাত যোৰহাটৰ মিছন হাস্পতালত ভৰ্তি কৰোৱা হৈছিল ছাত্ৰীগৰাকীক। বৃহস্পতিবাৰে পুৱা চিকিৎসালয়তে শেষ নিশ্বাস ত্যাগ কৰে আৰিনাই। উল্লেখযোগ্য যে, যোৰহাটৰ আজান গাঁৱৰ সমীপত দ্ৰুতবেগী বাহনৰ নিয়ন্ত্ৰণ হেৰুৱাৰ ফলত ভয়ংকৰ দুৰ্ঘটনাটো সংঘটিত হৈছিল। দুৰ্ঘটনাটোত আৰিনাই মূৰত গুৰুতৰ আঘাত পোৱাত মগজু পৰ্যন্ত ওলাই আহিছিল। ইফালে থিতাতে নিহত হৈছিল কাজিৰঙা বিশ্ববিদ্যালয়ৰ দুজনকৈ ছাত্ৰ, গোৱালপাৰাৰ মছতাফা মুজাহিদ আৰু যোৰহাট লিচুবাৰীৰ ইৰফান হুছেইন। বৰ্তমানেও জেএমচিএইছত চিকিৎসাধীন হৈ আছে যোৰহাট চিনামৰাৰ খুছবু নভেল।

# ডিব্ৰুগড়ত সপ্তম অসম ৰাজ্যিক বিত্ত আয়োগৰ সভা



ৰঙিলী বাৰ্ত্তাসেৱা- সপ্তম অসম ৰাজ্যিক বিত্তীয় আয়োগৰ এক গুৰুত্বপূৰ্ণ সভা ডিব্ৰুগড় জিলা পৰিষদৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত হয় । সপ্তম অসম ৰাজ্যিক বিত্তীয় আয়োগৰ অধ্যক্ষ অৱসৰপ্ৰাপ্ত লেফটেনেণ্ট জেনেৰেল ৰাণা প্ৰতাপ কলিতাৰ (পি.ভি.এচ.এম, ইউ.ৱাই.এচ.এম, এ.ভি.এচ.এম, এচ.এম, ভি.এচ.এম) অধ্যক্ষতাত অনুষ্ঠিত সভাত পঞ্চায়ত ও গ্ৰামোন্নয়ন, ডিব্ৰুগড় পৌৰ নিগম তথা জিলাখনৰ আটাইকেইখন পৌৰসভা, নগৰ আৰু গাওঁ পৰিকল্পনা, লোকনিৰ্মাণ, জনস্বাস্থ্য- কাৰিকৰী, কৃষি, জলসিঞ্চন আদি বিভাগসমূহৰ বিত্তীয় ব্যৱস্থা লগতে বিগত ২০১৯-২০ বিত্তীয় বৰ্ষৰ পৰা ২০২৩-২৪ বিত্তীয় বৰ্ষলৈকে হোৱা আয়-ব্যয়ৰ সবিশেষ খতিয়ান লোৱা হয় । সভাত জিলা পৰিষদ, আঞ্চলিক (নপৃষ্ঠাত চাওক)

# বিশিষ্ট সাহিত্যিক ভৱানীপ্ৰসাদ অধিকাৰীৰ বিয়োগ



ৰঙিলী বাৰ্ত্তাসেৱা- বিশিষ্ট সাহিত্যিক, চিন্তাবিদ, শিক্ষাবিদ, সমালোচক ভৱানীপ্ৰসাদ অধিকাৰীৰ হাতীগাঁৱৰ লখিমী নগৰ পথত থকা নিজ বাসভৱনত মঙলবাৰে পুৱা প্ৰায় ১০.৪০ বজাত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮২ বছৰ। উল্লেখ্য যে বিগত কেইবামাহ ধৰি বাৰ্ধক্যজনিত কাৰণত অসুস্থ হৈ আছিল বিশিষ্ট শিক্ষাবিদগৰাকী। কিছুদিন পূৰ্বে শিক্ষাবিদগৰাকীক হাস্পতালত ভৰ্তি কৰোৱা হৈছিল যদিও শাৰীৰিক অসুস্থতা পুনৰ বৃদ্ধি হোৱাত মঙলবাৰে পুৱা তেওঁৰ মৃত্যু হয়। ১৯৪৩ চনৰ ৬ অক্টোবৰত নলবাৰী জিলাৰ মাখিবাহা গাঁৱত জন্মগ্ৰহণ কৰা ভৱানীপ্ৰসাদ অধিকাৰীৰ পিতৃ আছিল প্ৰয়াত সূৰ্যকান্ত দেৱ অধিকাৰী আৰু মাতৃ প্ৰয়াত সৰস্বতী দেৱী অধিকাৰী। ১৯৬৩ চনত কোকৰাঝাৰত শিক্ষকতাৰে কৰ্মজীৱন আৰম্ভ কৰা ভৱানীপ্ৰসাদ অধিকাৰীয়ে পৰৱৰ্তী সময়ত ১৯৭১-৭৪ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰকাশন বিভাগৰ সাহিত্য সহকাৰী, ১৯৭২-৭৩ চনত বি বৰুৱা মহাবিদ্যালয়ত অংশকালীন অধ্যাপক, ১৯৭৪-৭৫ চনত সৰভোগত বিষয় শিক্ষক, ১৯৭৫-১৯৯২ চনলৈ গোসাঁইগাঁও মহাবিদ্যালয়ত অধ্যাপনা কৰাৰ পাছত ১৯৯২ চনত পাণ্ডু মহাবিদ্যালয়ত যোগদান কৰে। তাৰ পাছতে ২০০৬ চনত মহাবিদ্যালয়খনৰ পৰা অধ্যক্ষ ৰূপে অৱসৰ গ্ৰহণ কৰে। অসম সাহিত্য সভাৰ আজীৱন আৰু হিতৈষী সদস্য ৰূপে জড়িত হৈ থকা ভৱানীপ্ৰসাদ অধিকাৰীয়ে সাহিত্য সভাৰ উন্নতিৰ হকে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছিল। বিভিন্ন সময়ত অসম সাহিত্য সভাৰ বিভিন্ন শাখা সাহিত্য সভা গঠন তথা নিষ্ক্ৰিয় শাখাসমূহ সক্ৰিয়কৰণৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। জাতীয় ন্যাস পুঁজিত উল্লেখযোগ্য বৰঙনি সংগ্ৰহেৰে বিভিন্ন সময়ত বহু পদক্ষেপ গ্ৰহণ কৰা শিক্ষাবিদগৰাকীয়ে আনকি সভাই আগবঢ়োৱা ভ্ৰমণ ব্যয় আৰু কমিছনো গ্ৰহণ কৰা নাছিল। সাহিত্য চৰ্চাৰ ক্ষেত্ৰতো গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা ভৱানীপ্ৰসাদ অধিকাৰীয়ে ১৯৫৬ চনৰে পৰা সাপ্তাহিক জনমভূমি, নতুন অসমীয়া, দ্য নিউজ ষ্টাৰ, শ্ৰীময়ী, প্ৰকাশ, গৰীয়সী, জিএনআৰচিকে ধৰি বিভিন্ন কাকত-আলোচনীত কবিতা, হাস্য-ব্যংগ ৰচনা, প্ৰবন্ধ আদি লিখি অসমীয়া সাহিত্যৰ ভঁৰাল সমৃদ্ধ কৰিছিল। ড° সূৰ্যকুমাৰ ভূঞা: জীৱন আৰু কৃতি, তেজৰ ফুল, মঙহৰ ফুল, মহাদেশীয় সাহিত্য, জন্মদিনৰ কবিতা, বেদনাৰ নাম জুই, কাব্য বৰ্ণ সুগন্ধ আদি কেইবাখনো গ্ৰন্থ তেওঁ প্ৰণয়ন কৰিছিল। ইয়াৰ বাহিৰেও নাট্য গুৰুজী যোগেশ শৰ্মা: জীৱন আৰু কৃতি, পণ্ডিত ভুবন চন্দ্ৰ ভূঞা ৰচনাৱলী, গোবিন্দ চন্দ্ৰ পৈৰা ৰচনাৱলী, কাব্য আৰু আধুনিক কাব্য, কালীৰাম মেধি স্মৃতি মাল্য, নৰকান্ত বৰুৱা স্মৃতিগ্ৰন্থ আদি কেইবাখনো গ্ৰন্থ সম্পাদনাৰ সৈতেও তেওঁ জড়িত আছিল। তদুপৰি তৰংগ, পছোৱা, ব'হাগী, চিন্নমস্তা, প্ৰান্তশ্ৰী, চান্দোৰ ডিঙা আদি কেইবাখনো আলোচনী সম্পাদনাৰ সৈতেও তেওঁ জড়িত আছিল। শিক্ষা-সাহিত্যৰ লগতে সংবাদ সেৱাৰ সৈতেও তেওঁ ওতপ্ৰোতভাৱে জড়িত হৈ আছিল। বিশেষ প্ৰতিনিধি, অসমবাণী, তিনিদিনীয়া অগ্ৰদূত, দৈনিক অসম, আজিৰ অসম আদি কেইবাখনো কাকতত সাংবাদিকতাৰ সৈতে তেওঁ জড়িত হৈ আছিল। সাংবাদিকতা, সাহিত্য আৰু শিক্ষা ক্ষেত্ৰৰ লগতে অভিনয়ৰ জগতখনতো উল্লেখযোগ্য অৰিহণা আগবঢ়াইছিল ভৱানীপ্ৰসাদ অধিকাৰীয়ে। বিভিন্ন অপেছাদাৰী দলৰ মঞ্চত অভিনয় কৰা ভৱানীপ্ৰসাদ অধিকাৰীয়ে বিভিন্ন সময়ত বহু নাট্যদলৰ সৈতেও জড়িত আছিল। গুৱাহাটী দূৰদৰ্শনযোগে প্ৰচাৰিত ৰং-বিৰং, নৰ্তকী, গধূলি বকুলৰ গোন্ধ আৰু অপৰাজেয় শীৰ্ষক কথাছবিত বলিষ্ঠ অভিনয় কৰিছিল। ১৯৬৬ চনত ছঙছ এণ্ড ড্ৰামা ডিভিজনৰ ষ্টাফ আৰ্টিষ্ট ৰূপে নিৰ্বাচিত হোৱা ভৱানীপ্ৰসাদ অধিকাৰীয়ে ১৯৭১ চনত নতুন দিল্লীৰ নেচনেল ড্ৰামা এণ্ড থিয়েটাৰ ইনষ্টিটিউটৰ প্ৰশিক্ষাৰ্থী ৰূপেও নিৰ্বাচিত হৈছিল। অসম কলেজ শিক্ষক (নপৃষ্ঠাত চাওক)

# ২৮৬ দিন অপেক্ষাৰ অন্তত পৃথিৱীলৈ সুনীতা উইলিয়ামছ



ৰঙিলী বাৰ্তাসেৱা- অৱশেষত দীৰ্ঘদিনীয়া অপেক্ষাৰ অন্ত পৰিল। বুধবাৰে পুৱতিনিশা ৩.২৭ বজাত আমেৰিকা যুক্তৰাষ্ট্ৰৰ ফ্ল'ৰিডাৰ আটলাণ্টিক মহাসাগৰৰ বুকুত ড্ৰেগন কেপচুলৰ মসৃণ অৱতৰণৰ লগে লগে মহাকাশ অভিযানত নতুন ইতিহাস ৰচিত হ'ল। ২৮৬ দিন আন্তৰ্জাতিক মহাকাশ কেন্দ্ৰত আবদ্ধ হৈ থকা ভাৰতীয় মূলৰ মাৰ্কিন মহাকাশচাৰী সুনীতা উইলিয়ামছসহ চাৰিগৰাকী মহাকাশচাৰী ড্ৰেগন কেপচুলেৰে নিৰাপদে পৃথিৱীত স্পৰ্শ কৰিলে। মহাসাগৰৰ বুকুত ওপঙি থকা ড্ৰেগন কেপচুলৰ পৰা হাঁহি হাঁহি হাত জোকাৰি ওলাই আহিল মহাকাশচাৰী সুনীতা উইলিয়ামছ। পোনপটীয়া সম্প্ৰচাৰত মহাকাশত আবদ্ধ হৈ থাকি নাছা আৰু স্পেচএক্সৰ অভিযানত উইলিয়ামছসহ আন চাৰিজন মহাকাশচাৰীৰ নিৰাপদে পৃথিৱীৰ বুকুত অৱতৰণক লৈ স্বস্তিৰ নিশ্বাস বিশ্ববাসীৰ। আনন্দ-উলাহত মতলীয়া হয় বিশ্বৰ প্ৰান্তে প্ৰান্তে। উল্লেখ্য যে ২০২৪ চনৰ ৫ জুনত ব'য়িঙৰ ষ্টাৰলাইনাৰ মহাকাশযানেৰে ভাৰতীয় মূলৰ মাৰ্কিন মহাকাশচাৰী সুনীতা উইলিয়ামছ আৰু মাৰ্কিন মহাকাশচাৰী বুশ্ব উইলমোৰ মহাকাশলৈ গৈছিল। মাত্ৰ ৮ দিনৰ বাবে মহাকাশলৈ যোৱা দুই মহাকাশচাৰীৰ ওভতনি যাত্ৰাত জটিলতা আহি পৰে মহাকাশযান ষ্টাৰলাইনাৰৰ কাৰিকৰী বিসংগতিৰ ফলত। পৰিণতিত ষ্টাৰলাইনাৰেৰে পৃথিৱীলৈ ওভতনি যাত্ৰা সম্পূৰ্ণকৈ বাতিল হৈ দুই মহাকাশচাৰী আইএছএছত আশ্ৰয় ল'বলগীয়া হয়। আইএছএছত আবদ্ধ হৈ পৰাৰ পাছতে উইলিয়ামছসহ দুই মহাকাশচাৰী কেতিয়া পৃথিৱীলৈ নিৰাপদে উভতি আহিব তাক লৈ অনিশ্চয়তা আহি পৰে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ মহাকাশ সংস্থা নাছাই আইএছএছত আবদ্ধ সুনীতা উইলিয়ামছ আৰু বুশ্ব উইলমোৰক ওভতাই আনিবলৈ পৰিকল্পনা কৰে যদিও সেয়া কেইবাবাৰো পিছুৱাবলগীয়া হয়। বিলম্ব হৈ পৰে সুনীতা উইলিয়ামছ আৰু বুশ্ব উইলমোৰৰ পৃথিৱীলৈ ওভতনি যাত্ৰা। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি (নপৃষ্ঠাত চাওক)

# ১ অক্টোবৰৰ পৰা ৰেচন কাৰ্ড থকাসকলে পাব দাইল,চেনি,নিমখ



ৰঙিলী বাৰ্তাসেৱা- ১ অক্টোবৰৰ পৰা ৰেচন কাৰ্ডৰ জৰিয়তে হিতাধিকাৰীক চাউলৰ লগতে প্ৰদান কৰা হ'ব দাইল, চেনি আৰু নিমখ। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিলে এই কথা। প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণৰ অধীনত গৃহ অনুমোদন-পত্ৰ বিতৰণ অনুষ্ঠানত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয়- ১ অক্টোবৰৰ (নপৃষ্ঠাত চাওক)

# মুম্বাই ইণ্ডিয়ানছৰ প্ৰথমখন মেচৰ অধিনায়ক সূৰ্যকুমাৰ যাদৱ



ৰঙিলী বাৰ্তাসেৱা- ২২ মাৰ্চৰ পৰা ইণ্ডিয়ান প্ৰিমিয়াৰ লীগৰ অষ্টাদশ সংস্কৰণটো আৰম্ভ হ'ব। প্ৰতিযোগিতাখনৰ পাঁচবাৰৰ চেম্পিয়ন মুম্বাই ইণ্ডিয়ানছে ২৩ মাৰ্চত শক্তিশালী প্ৰতিদ্বন্দ্বী চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে খেলি প্ৰতিযোগিতাখনত নিজৰ অভিযান আৰম্ভ কৰিব। অৱশ্যে এই মেচখনত মুম্বাই ইণ্ডিয়ানছে নিয়মীয়া অধিনায়ক হাৰ্দিক পাণ্ড্যিা অবিহনে খেলপথাৰত নামিব। হাৰ্দিক পাণ্ড্যিাৰ অনুপস্থিতিত সূৰ্যকুমাৰ যাদৱক অধিনায়ক হিচাপে নিযুক্তি দিয়া হৈছে। সূৰ্যকুমাৰ যাদৱে চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে মুম্বাই ইণ্ডিয়ানছৰ উদ্বোধনী মেচত দলটোৰ অধিনায়কৰ দায়িত্ব বহন কৰিব। মুম্বাই ইণ্ডিয়ানছৰ নিয়মীয়া অধিনায়ক হাৰ্দিক পাণ্ড্যিাই বুধবাৰে সংবাদ মেলত এই তথ্য প্ৰদান কৰে। উল্লেখ্য যে ২০২৪ চনৰ আইপিএলত তিনিখনকৈ মেচত লেহেমীয়া গতিত বলিং কৰাৰ অপৰাধত হাৰ্দিক পাণ্ড্যিাক এখন মেচৰ পৰা নিলম্বন কৰা হৈছিল।

# ৰাজস্থান ৰয়েলছৰ নতুন অধিনায়ক ৰিয়ান পৰাগ



ৰঙিলী বাৰ্তাসেৱা- ৰাজস্থান ৰয়েলছৰ নতুন অধিনায়কৰ নাম ঘোষণা। বৃহস্পতিবাৰে দিনৰ ভাগত ৰাজস্থান ৰয়েলছ কৰ্তৃপক্ষই দলটোৰ অধিনায়কৰ নাম ঘোষণা কৰে। প্ৰথম ৩খন মেচৰ বাবে বেটছমেন তথা অসম সন্তান ৰিয়ান পৰাগক নতুন অধিনায়ক হিচাপে দায়িত্ব দিয়া হৈছে। ৰাজস্থান ৰয়েলছে ৰাজহুৱা কৰা অনুসৰি আই পি এল ২০২৫ৰ প্ৰথম ৩খন মেচত ৰাজস্থান ৰয়েলছক নেতৃত্ব দিব ৰিয়ান পৰাগে। উল্লেখযোগ্য যে হায়দৰাবাদৰ পৰাই ৰাজস্থানে আৰম্ভ কৰিব এইবাৰৰ আই পি এল অভিযান। প্ৰথমখন মেচ খেলিব ছানৰাইজাৰ্চ হায়দৰাবাদৰ বিৰুদ্ধে। এই মেচখনত অনুষ্ঠিত হ'ব ২৩ মাৰ্চত। একেদৰে দ্বিতীয় আৰু তৃতীয় মেচ অনুষ্ঠিত হ'ব গুৱাহাটীৰ বৰ্ষাপাৰা ষ্টেডিয়ামত। ইয়াৰে (নপৃষ্ঠাত চাওক)

# হেমন্ত কলিতাৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ বিআইএফৰ সভাপতিৰ



ৰঙিলী বাৰ্তাসেৱা- ভাৰতীয় বক্সিং ফেডাৰেচনৰ সভাপতি অজয় সিঙে নিলম্বিত সচিব হেমন্ত কলিতাৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। ভাৰতীয় বক্সিং ফেডাৰেচনৰ সভাপতি অজয় সিঙে অভিযোগ উত্থাপন কৰিছে যে অলিম্পিকৰ ব্ৰঞ্জ বিজয়ী লাভলীনা বৰগোহাঁইক সদ্য নিলম্বিত ভাৰতীয় বক্সিং সংস্থাৰ মহাসচিব হেমন্ত কলিতাই ৰাষ্ট্ৰীয় চেম্পিয়নশ্বিপত অংশগ্ৰহণ কৰাত বাধা দিছে । দিল্লীত অনুষ্ঠিত এখন সংবাদ মেলত সভাপতি অজয় সিঙে কয় যে ৬৯ কেজি শাখাত টকিঅ' অলিম্পিকত পদক বিজয়ীগৰাকীয়ে বৃহস্পতিবাৰৰ পৰা গ্ৰেটাৰ নয়ডাত আৰম্ভ হ'বলগীয়া ৰাষ্ট্ৰীয় বক্সিং চেম্পিয়নশ্বিপত অংশগ্ৰহণ কৰিবলৈ আগ্ৰহী আছিল যদিও হেমন্ত কলিতাই লাভলীনাক প্ৰতিযোগিতাখনৰ পৰা নাম প্ৰত্যাহাৰ কৰিবলৈ কয়। উল্লেখ্য যে দিল্লী উচ্চন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশ সুধীৰ কুমাৰ জৈনে চলোৱা তদন্তত আৰ্থিক কেলেংকাৰিত দোষী সাব্যস্ত হোৱা কলিতাই অসমৰ সংস্থাটোত সম্পাদকৰ পদত অধিষ্ঠিত। ৰাষ্ট্ৰীয় মহিলা চেম্পিয়নশ্বিপত অংশগ্ৰহণ কৰিবলৈ অসমে খেলুৱৈসকলক নিৰুৎসাহিত কৰিছে। প্ৰতিযোগিতাখনত লাভলীনাই অংশগ্ৰহণ নকৰাৰ সন্দৰ্ভত বিষয়াসকলে তেওঁৰ সৈতে যোগাযোগ কৰাত লাভলীনাই কয় যে প্ৰতিযোগিতাখনত হেমন্ত কলিতাই অংশগ্ৰহণ নকৰিবলৈ কৈছে। অভিযোগ সন্দৰ্ভত কলিতাই তাৎক্ষণিকভাৱে কোনো প্ৰত্যুত্তৰ দিয়া নাই। ইপিনে হেমন্ত কলিতাৰ বিৰুদ্ধে উত্থাপিত এই অভিযোগ কিমান সঁচা সেয়া প্ৰমাণিত হ'ব তেওঁ প্ৰত্যুত্তৰ দিয়াৰপাছত। এতিয়া লাভলীনাই খেলাৰ ক্ষেত্ৰত কি সিদ্ধান্ত লয় সেয়াও লক্ষণীয় হ'ব।

# পাকিস্তানক ৫ উইকেটত পৰাস্ত নিউজিলেণ্ডৰ



ৰঙিলী বাৰ্তাসেৱা- পাকিস্তানৰ বিপক্ষে খেলি থকা পাঁচখনীয়া টি-২০ মেচৰ শৃংখলাটোত জয়ৰ ধাৰা অব্যাহত আছে নিউজিলেণ্ডৰ। ডুনেডিনত অনুষ্ঠিত দ্বিতীয়খন টি-২০ মেচতো ঘৰুৱা দল নিউজিলেণ্ডে পাকিস্তানক ৫ উইকেটত পৰাস্ত কৰি শৃংখলাটোত ২-০ৰ অগ্ৰগতি লাভ কৰে। ১৫ অভাৰলৈ হ্ৰাস কৰা মেচখনত পাকিস্তানে জয়ৰ বাবে বান্ধি দিয়া ১৩৬ ৰানৰ লক্ষ্য অনুসৰণ কৰিবলৈ আহি অ'পেনাৰদ্বয় টিম ছেইফাৰ্ট আৰু ফিন এলেনৰ দৰ্শনীয় বেটিঙৰ সহায়ত নিউজিলেণ্ডে ১৩.১ অভাৰত ৫টা উইকেট হেৰুৱাই জয়ৰ লক্ষ্যত উপনীত হয়। ছেইফাৰ্টে ২২টা বলত ৪৫ আৰু এলেনে ১৬টা বলত ৩৮ ৰান কৰে। মিচেল হেই ১৬টা বলত ২১ ৰান কৰি অপৰাজিত হৈ থাকে। মাৰ্ক ছেপমেনে ১, ডাৰিল মিচেলে ১৪ আৰু নিছামে ৫ ৰান কৰি পেভিলিয়নমুখী হয়। পাকিস্তানৰ হৈ হৰিশ ৰৌফে সৰ্বাধিক (নপৃষ্ঠাত চাওক)

# সত্যৰ বিকল্প চিন্তা কিয় ?

ৰ'ংিত বৰ্মন




আমি বৃহৎ অসমীয়া জাতি হিচাপে গৌৰৱ কৰি আহিছোঁ। পিছে প্ৰতিটো দিনতেই বিকল্প চিন্তাৰে অগ্ৰসৰ হৈ আছোঁ। আমাৰ প্ৰত্যেকৰে মানস পটত এই বিকল্প চিন্তা কিয়, এটা ডাঙৰ প্ৰশ্ন? ঐতিহাসিক ভাৱে আমাৰ সমাজত প্ৰাধান্যতা থকা প্ৰতিটো দিশৰ পৰা আমি যেন ফালৰি কাতি আহিছোঁ। তাৰ বিপৰীতে পশ্চিমিয়া সহজ লভ্য সস্তীয়া সংস্কৃতিৰ প্ৰভাৱ আমাৰ সমাজত গঢ়ি উঠিছে। এয়া বৃহত্তৰ অসমীয়া জাতিটোৰ বাবে শুভ লক্ষণ নহয়। আমি আমাৰ স্বাভিমান যেন আনৰ ওচৰত বিক্ৰী কৰিবলৈ আগবাঢ়ি গৈ আছোঁ! পিতৃ-মাতৃৰ প্ৰতি আমাৰ দ্বায়িত্ব/ দায়বদ্ধতাক এটা দিনৰ চুক্তি স্বাক্ষৰিত হোৱাৰ দৰেই আমি পিতৃ দিৱস মাতৃ দিৱস পালন কৰি সামৰিব বিচাৰিছোঁ; যাৰ বাবে এই সুন্দৰ পৃথিৱীখন চোৱাৰ সৌভাগ্য লাভ কৰিছোঁ, তেওঁলোকৰ বাবে এটা দিন বিশেষ দিন কেনেকৈ হ'ব পাৰে? সেই মহান ব্যক্তি দুগৰাকীৰ বাবে প্ৰতিটো দিনেই বিশেষ। আমি বৃহত্তৰ অসমীয়া জাতি হিচাপে গৌৰৱ কৰাৰ কথা চিন্তা কৰোঁতে অনুভৱ কৰোনে বৃহত্তৰ অসমীয়া সংস্কৃতিৰ স্বাভিমান ক'ত লুকাই থাকে? বিশ্বৰ দৰবাৰত অসমৰ অন্যতম জাতীয় উৎসৱ বিহুক প্ৰতিষ্ঠা কৰিবলৈ অগ্ৰসৰ হোৱাৰ সময়তো অৱহেলিত হোৱা যেন অনুভৱ হয় জাতীয় উৎসৱ বিহু। গাঁৱতেই হওঁক বা চহৰতেই হওঁক বিহু মানেই যেন এখন প্ৰতিযোগিতাৰ মঞ্চ! আজিৰ সমাজখনৰ বৈশিষ্ট - উপভোগ কৰাৰ মানসিকতা, সেইবাবেই ঐতিহাসিক বৰপথাৰৰ বিহুৱে ক্ৰমান্বয়ে মঞ্চ বিহুৰ জনপ্ৰিয়তা অৰ্জন কৰিছে। সেয়া বাৰু যিয়েই নহওঁক, মঞ্চত হ'লেও সুৰক্ষিত হৈ ৰওক বিহু! জাতীয় উৎসৱ হিচাপে বিহুৰ স্বকীয়তা ৰক্ষা কৰাটো একো একোগৰাকী অসমীয়া হিচাপে প্ৰত্যেকৰে দায়িত্ব আছে। জাতীয় উৎসৱ হিচাপে পালন কৰি অহা পৰম্পৰাগত বিহুৰ ভিতৰতেই ভোগালী বিহুৰ সময়ত সামাজিক মাধ্যমত খলকনি লগাই অহা সেই বিশেষ দিন কেইটাৰ কথা ভাবিলে বুকু কপি উঠে। ভেলাঘৰ মানেনো প্ৰকৃততে কি? অসমীয়া সমাজ খনত নিশ্চয় নজনা ব্যক্তি নাই! উৰুকাৰ ভোজ- ভাত খাই অস্থায়ী ঘৰটো ৰাতিপুৱা জ্বলাই দিয়াৰ সেই বিশেষ পৰম্পৰাগত প্ৰথাটোৰ বিষয়ে কোনো অসমীয়া অজ্ঞাত নহয়। তেনে ক্ষেত্ৰত সেই বিশেষ ঐতিহাসিক ৰংঘৰ, কাৰেংঘৰ, তলাতল ঘৰ আদিৰ দৰে কৃতিচিহ্নবোৰ ভেলাঘৰৰ ৰূপত সজাই অসমীয়াই অসমীয়াৰ বুকুত আঘাত হনাৰ লগতে অসমীয়াৰ বুকুৰ আপোন কৃতিচিহ্ন বোৰক অপমান কৰা হোৱা নাই নে? (সেয়া স্বাভিমানী অসমীয়া সমাজৰ হাতত গোটালো)।

প্ৰকৃততে আমি কোনটো দিশেৰে ধাৱমান হৈ আছোঁ আমি হয়তো নিজেই নাজানো! উৎসৱ-পাৰ্বনৰ কথাবোৰ বৰকৈ নকলেও সচেতন সমাজৰ প্ৰতিগৰাকী অসমীয়াই কিছু হ'লেও অনুভৱ নকৰাকৈ থকা নাই। পিছে অসমীয়া সমাজখনত সম্বন্ধ বোৰত আউল লগাই ৰোধ কৰিব নোৱাৰা পশ্চিমীয়া সভ্যতা সংস্কৃতিৰ আগ্ৰাসনে অসমীয়া সমাজখনক বিপথে পৰিচালিত কৰি আহিছে। কাৰোবাৰ প্ৰতি থকা শ্ৰদ্ধা ভক্তিৰ পৰিপুৰক এটা দিন কেতিয়াও হ'ব নোৱাৰে। পিতৃ-মাতৃৰ সন্তানৰ প্ৰতি থকা নিস্বাৰ্থ প্ৰেম যেনেদৰে কৃত্ৰিম নহয়, সন্তানৰ পিতৃ-মাতৃৰ প্ৰতি থকা দায়িত্ব ভালপোৱাত কৃত্ৰিমতা থাকিব নালাগে। আমাৰ দায়িত্ব প্ৰতিটো সম্বন্ধ আজীৱন জীয়াই ৰখা; প্ৰতিটো সম্বন্ধক সম্বন্ধ হিচাপে পালন কৰা। প্ৰতিটো সম্বন্ধৰ নিজস্ব মহত্ব আছে । পিতৃ দিৱস, মাতৃ দিৱস, ভাতৃ দিৱস নাৰী দিৱস আদি বিভিন্ন দিৱসবোৰ পালন কৰাৰ মুলতে সম্বন্ধৰ দুৰত্ব আৰু মানৱীয় চিন্তাৰ মূল্যাংকন কৰিব বিচৰা যেন অনুভৱ হয়। যিখন দেশত নাৰীক দেৱীৰ লগত তুলনা কৰা হয়, নাৰীক পূজা কৰা হয়, যিখন সমাজৰ বৃহত্তৰ অসমীয়া জাতিটো বীৰাংগনা সতী সাধনী, মূলা গাভৰু, কনকলতা বৰুৱা, ইন্দিৰা মিৰি, চন্দ্ৰপ্ৰভা শইকীয়ানী, বীৰুবালা ৰাভা, পাৰ্বতী বৰুৱা আদি মহীয়সী নাৰী সকলক লৈ গৌৰৱান্বিত; সেইখন দেশতেই প্ৰতি খোজতে বিপদৰ সন্মুখীন হয় নাৰী; সেইখন সমাজতেই ৰাজপথত লাঞ্চিত হয় নাৰী। আমি যদি প্ৰকৃত অসমীয়া হিচাপে গৌৰৱ কৰিব বিচাৰোঁ, সমাজখন বিপথে পৰিচালিত হোৱাৰ পৰা ৰক্ষা কৰিব বিচাৰোঁ, তেন্তে প্ৰত্যেকেই সংস্কাৰ কৰাৰ, পশ্চিমীয়া সভ্যতাক আওকাণ কৰি প্ৰগতিশীল চিন্তা-চৰ্চাৰে আত্ম সমালোচনা কৰাৰ প্ৰয়োজনীয়তা আছে।

আমি মানুহ হিচাপে, এগৰাকী প্ৰকৃত স্বাভিমানী অসমীয়া হিচাপে, প্ৰতিটো সম্বন্ধৰ প্ৰতি সজাগ আৰু দায়িত্বশীল হ'ব লাগিব।সত্যৰ বিকল্প চিন্তা কৰাতকৈ, সত্যক উপলব্ধি কৰিব পৰাটো অনাগত ভৱিষ্যতৰ বাবে মঙ্গল।


## নাৰীবাদী

ছৈয়দ ফাৰহানা আহমেদ



মই সেইজনী নাৰীবাদী লেখিকা
যাৰ প্ৰত্যেক লিখনিৰ বিষয়বস্তুৱেই যে নাৰীৰ প্ৰতাৰণা,
নাৰীৰ অধিকাৰ, নাৰীৰ যন্ত্ৰণা,
নাৰীৰ স্বাধীনতা, নাৰীৰ প্ৰতিবাদ আৰু নাৰী দেহৰ বেচা-কিনা।
মোৰ লিখনিৰ বাবে শুনিবলৈ পাইছোঁ বহু ইতিকিং
শুনিছোঁ কোৱা মই যে এপক্ষবাদী,
সিহতেঁ কয় স্বাধীন ভাৰতৰ স্বাধীন নাৰী
মোলৈ প্ৰশ্ন: ক'তনো আছে এতিয়াও নাৰী পৰাধীকাৰী?
এইটো সত্য ভাৰত যে নাই অন্য অধীনত্ব
সংবিধানেও দিছে 'নাৰী- পুৰুষৰ সমমূল্য'
শুনতেই শুৱলা, নাই যে বাক্যটোৰ কোনো ক্ৰিয়া
মোৰ প্ৰশ্ন: সচাঁই নাৰীয়ে লাভ কৰিছেনে সেই সমপ্ৰাপ্তি ... ?
ছাজাহানৰ ঐতিহাসিক পৃষ্ঠাৰ পৰা বৰ্তমানৰ সামাজিক ৰাজনৈতিক
কূটনৈতিক ক্ষেত্ৰলৈ
মাথোঁ পাঁও শুনিবলৈ কত নাৰীৰ ধৰ্ষণ আৰু হত্যাকাণ্ড,
নাপাঁও শুনা এই ঘৃণীয় কাৰ্য্যত লিপ্তৰ আইনী দণ্ড
আৰু কিছু উচ্চ জ্ঞানী লোকে সেই অসহায় নাৰীকেই অসৎ বুলি
পিন্ধনত প্ৰশ্ন।
মোৰ প্ৰশ্ন: যদি ভদ্ৰ পিন্ধনতেই সকলো সমস্যাৰ সমাধান
তেন্তে কিয় বলি হ'ল নিজ কৰ্মস্থলতেই বগা পোছাকত থকা
ক'লকাতাৰ সেই ডাক্তৰজনী?
কিয় আজি আৰু এই হৃদয়হীন ধৰণীত নাই সেই কোমল পাঁচ
বছৰীয়া শিশুটি?
কিনো পৰিধানত আছিল এই অবুজ আত্মাই?
লাগে মোক মোৰ প্ৰশ্নৰ উত্তৰখিনি!
আচলতে ক'বলৈ গ'লে কিছু পুৰুষে দেখুৱাব খোজে নিজৰ পুৰুষত্ব
ভাৱে পুৰুষ হৈ জন্ম, নাৰী কৰৰ পুতলা,
অতীজৰ পৰাই যে চলি আছে এই কাৰ্য,
সাৱধান! আমি নাৰী এতিয়া কৰিম যুদ্ধ,
কাৰণ আমি যে নহয় কাৰোঁ যৌৱনৰ খাদ্য
এই সত্যৰ যুঁজত জিকিম আমি ! কাপুৰুষসকল যাতে পাহৰি
নোযোৱা ৰাণী লক্ষ্মীবাঈৰ বীৰত্ব।

# Books: A timeless and thoughtful wedding gift



Heramba Nath

Selecting a meaningful and thoughtful gift for a wedding can be challenging. While traditional gifts like household items, jewellery, and home décor are common, consider gifting something unique and lasting— books. Books are more than mere objects; they represent knowledge, inspiration, and guidance, making them a perfect wedding gift.

Books play a significant role in a couple's journey together. They foster shared interests, deepen understanding, and create lasting memories. Whether it is a book on relationships, personal development, or a shared passion like travel or cooking, books bring couples closer and offer valuable insights. They provide guidance on communication, conflict resolution, and intimacy, helping newlyweds navigate married life with wisdom. At the same time, books encourage personal growth, allowing each partner to pursue individual aspirations while strengthening their bond as a couple.

( ছয় পৃষ্ঠাত চাওক)

# সভাসমিতি, উৎসৱ-পাৰ্বন, ৰাজহুৱা মেলমিটিঙবোৰক অনুদান সাহায্য দিয়া বন্ধ হব লাগে

শৈলেন কুমাৰ, মিৰ্জা

**মুখ্যমন্ত্ৰীলৈ মুকলি চিঠি ...**

সমাগত বহাগ বিহু, বহাগ বিহু অসমীয়া জাতিৰ স্বভিমান বুলি অতীতৰ পৰা আমি জ্ঞাত, বহাগ বিহুত নাচি উঠে অসমীয়াৰ মনপ্ৰাণ। যিহেতুকে বহাগ বিহু অসমীয়াৰ কৃষিকাৰ্য খেতিপথাৰৰ লগত জৰিত এটা উৎসৱ গতিকে অসমৰ খেতিয়ক সকলে অতীতৰ পৰম্পৰা স্বৰূপে বিহু উদ্‌যাপন কৰি আহিছে। বৰ্তমান অসমত পথাৰ নাই, পথাৰবোৰ এতিয়া অনাঅসমীয়া বনিক গোষ্ঠীৰ হাতত, উদ্যোগীকৰণৰ আগ্ৰাসনত বৰ্তমানৰ অসমীয়াৰ বজাৰ আৰু পথাৰ। বিহু মানে পইচা কালেকচন কৰি মাৰি খোৱাৰ ধাণ্ডা। সামাজিক সভাসমিতি, উৎসৱ সমূহৰ নামত আয়োজন কৰা মেলমিটিঙবোৰে নিজস্ব অস্তিত্ব হেৰুৱাই লক্ষ্য আৰু উদ্দেশ্যৰ পৰা ফালৰি কাটি অন্য ৰূপ লৈছে। অৰ্থবাদী অভিলাষত অসমৰ মানুহৰ মনমগজু, একাংশ ভণ্ড লোকৰ গুণ্ডামি বাঢ়িছে। এটা অনুষ্ঠানৰ মুৰব্বী যদি ভ্ৰষ্টাচাৰী ব্যভিচাৰী দুৰ্নীতিগ্ৰস্থ হয় তেতিয়া হ'লে অনুষ্ঠানৰ লক্ষ্য উদ্দেশ্য সংকটত পৰে আগুৱাই অহা নৱপ্ৰজন্মৰ বাবে বিপদাপন্ন হয়। আজি ৰাইজৰ অজ্ঞানতাৰ সুযোগ একাংশ পদবী লুভীয়া ব্যক্তিয়ে লোৱা পৰিলক্ষিত হয় । মহৎ উদ্দেশ্য আগত ৰাখি জয়ধ্বনিৰে ৰাইজক আবেগিক কৰে তথাকথিত একাংশ সমাজ বিৰোধী ব্যক্তিয়ে। লুণ্ঠনৰ নগ্ন নৃত্য নাচে সিহঁতবোৰে। স্বাৰ্থবাদী সমাজব্যৱস্থাত নিস্বাৰ্থভাবে চলিব বিচৰা একাংশৰ হৃদয় ভাঙি পৰে। দেখুওৱা হয় অন্য কিবা চলি থাকে অন্য কিবা। কি ঘৰ, কি সমাজ সকলোতে কেৱল চক্ৰান্তৰ মায়াজাল । ভেশছ্ন ধৰি সিহঁতে হাঁহি-কান্দি মুনাফা আদায় কৰে। এজন ব্যক্তিৰ চিন্তাধাৰাই উন্নতি আৰু অধঃপতন মাতিব পাৰে। সৎ চিন্তাত উন্নতি আৰু অসৎ চিন্তাত অধঃপতন হোৱাটো নিশ্চিত হৈ পৰে। লোভ লয়লাসত আৱদ্ধ বৰ্তমানৰ মানুহৰ মনমগজু । মোৰ নাম, মোৰ প্ৰতিষ্ঠা অধঃপাতে যাওক আদৰ্শ সমাজ গঢ়াৰ আশা - আকাংক্ষা । মই দুৰ্নীতি কৰিম, মই লুণ্ঠন কৰিম সমাজৰ দোহাই দি প্ৰকৃতি সমাজ ধ্বংস কৰিম ।এইযে যুদ্ধবিগ্ৰহ হৈ আছে এইবোৰ আচলতে এটা সম্প্ৰদায় বা এটা জাতিৰ যুদ্ধ নহয়, এইবোৰ হৈছে এজন ব্যক্তিৰ চিন্তাধাৰাৰ পৰিণাম - পৰিণতি । ধনদাবী কৰি পইচা কালেকচন কৰি বিহু পাতিলেহে নেকি অসমীয়াৰ স্বভিমান ৰক্ষা হয়। আপুনি ভাবি চাইছেনে কেতিয়াবা আমিযে নিজৰ মঙহ নিজে চোবাই আছোঁ। আজি একাংশ আত্মঅহংকাৰী সমাজবিৰোধী মানসিকতাৰ ব্যক্তিৰ জঘন্য কাৰুকাৰ্য্যত ভুক্তভোগী হৈছে সাধাৰণ জনগন। কোনোবাই দেহেকেহে খাটে আৰু কোনোবাই ভোগ কৰে। আমি চিন্তা কৰিব হ'ল আপুনি যোগ্য নে অযোগ্য ব্যক্তিক প্ৰাধান্য দিব? অপসংস্কৃতি, অনীতিক মুল্য দিবনে? সংস্কৃতিশীল, নীতিগত চিন্তাধাৰাক প্ৰাধান্য দিব? ভৱিষ্যতটো আপোনালোকে অন্ধকাৰ বিচাৰেনে, পোহৰ ? ৰাইজৰ পইচাৰে বিহু পাতি অসমীয়াৰ স্বভিমান ৰক্ষা নহয় বৰঞ্চ লাঘৱ হয়। বিহুৰ প্ৰকৃত মৰ্যাদা খেতিপথাৰত খেতি কৰা খেতিয়কে বুজি পাৱ কিন্তু সেই মৰ্যাদা মঞ্চত মুখাপিন্ধা আদৰ্শ খেতিয়ক সকলে বুজি নেপায়। বিহুৰ চকীয়তা খেতিপথাৰত মঞ্চত কেতিয়াও হ'ব নোৱাৰে। মঞ্চত অনুষ্ঠিত কৰা বিহুবোৰ ৰাইজৰ টকা কালেকচন কৰি মাৰি খোৱা অবিহুহে । মঞ্চ এৰি প্ৰকৃত অৰ্থত খেতিয়ক হৈ পথাৰত নামি বিহু পাতিলেহে অসমীয়াৰ স্বভিমান ৰক্ষা হব বুলি ভাৱোঁ ।



# Books: A timeless and

One of the greatest advantages of gifting books is their enduring relevance. Unlike many wedding gifts that may lose their value over time, books remain meaningful long after the wedding day. They add a personal touch, showing that the giver has put thought into selecting something beneficial for the couple's journey ahead. Books are practical—they can be referenced repeatedly whenever the couple seeks inspiration, advice, or simply a moment of relaxation. Additionally, books are often more affordable than traditional gifts while providing immense intellectual and emotional value.

To make the gift even more special, consider adding a personal touch. Writing a heartfelt note or inscription inside the book adds sentimental value, making it a cherished keepsake. A customised bookplate with the couple's names or a themed basket filled with carefully selected books can make the gift even more meaningful. For example, a mix of books on love, travel, and personal development can provide a diverse reading experience that suits both partners.

In today's fast-paced digital age, gifting physical books may seem old-fashioned, yet this is precisely what makes them special. Unlike digital content that can be easily forgotten, physical books create an intimate experience. Holding a book, flipping through its pages, and feeling its weight enhances the connection between the reader and the material. Books transcend time and technology, becoming treasured possessions.

As we celebrate the union of two loved ones, we must not overlook the profound impact books can have on their journey together. By gifting books, we express our support for their marriage, acknowledging it as a lifelong process of learning and growth. Books symbolise a commitment to exploration, understanding, and shared experiences. As newlyweds embark on this new chapter of life, books serve as trusted companions, offering guidance, wisdom, and moments of joy.

Books make exceptional wedding gifts because they provide knowledge, inspiration, and shared experiences. Choosing a thoughtful book is a beautiful way to honour the love and commitment of the newlyweds, ensuring that their journey together is enriched with wisdom, imagination, and discovery.


# জুইফুল



অলকা বুজৰ বৰুৱা, নলবাৰী


ফাগুন মানেই হেনো ৰঙা
ফাগুন আহিলেই আকাশত জুই জ্বলে
জুইফুল ফুলে পলাশ মদাৰৰ ডালে ডালে
মানুহৰ হৃদয়তো ফুলে জুইফুল ফাগুনৰ স'তে।
ফাগুনৰ আবাহনত সাৰ পায় কুঁহিপাতে
ফাগুনৰ বিদায় ক্ষণত দুখ বিলাসত ভোগে
কুলি কেতেকীয়ে এজাৰ নাহৰৰ ডালে ডালে,
ৰাতি দুপৰত কেতেকীৰ হিয়া ভগা বিননিত
বসন্তই উচুপি উঠে, মেঘমলাইও টুকে চকুপানী
ফাগুনক ৰিজাব পাৰি এডোঙা তেজৰ স'তে
যি লুকাভাকু খেলে কলিজাৰ কোঁহে কোঁহে
প্ৰেমিক চৰাইবোৰো ৰঙিয়াল হয় তেজৰ দৰে।

# উপহাৰ



অমিয়া বেগম

সুখ আৰু দুখৰ সমভাগী
নোকোৱাকৈ বুজি পোৱা
মনৰ ভাষা।
অতীতক পাহৰি বৰ্তমানত সাহস হৈ
ভৱিষ্যত জীৱন মসৃণ
কৰিবলৈ হেৰোৱা আত্মবিশ্বাস অনাৰ প্ৰতিশ্ৰুতিৰে
এয়া মোৰ ভ্ৰম নে বাস্তৱ
ব্যস্ততা অজুহাত হে মাথোন।
এয়াও যে প্ৰতাৰণাৰ
বন্ধুৰ এক বিশেষ উপহাৰ।


অসম চৰকাৰ
বিত্ত বিভাগ
অসম চৰকাৰৰ নিয়মীয়া আৰু
স্থায়ী কৰ্মচাৰীৰ কল্যাণাৰ্থে বীমাৰ সুবিধা
ষ্টেট বেংক অব ইণ্ডিয়া, ইউনিয়ন বেংক অব ইণ্ডিয়া, এক্সিছ বেংক, ইণ্ডিয়ান বেংক
আৰু পাঞ্জাৱ নেচনেল বেংকৰ সৈতে অসম চৰকাৰৰ বুজাবুজিৰ চুক্তি
দৰমহাৰ ক্ষেত্ৰত উল্লেখনীয় দিশসমূহ
JANASANYOG- 4970/24/23-March-25
শূন্য ব্যয়ত
সামগ্ৰিক বীমাৰ সুবিধা
ন্যূনতম ১ কোটি টকাৰ
ব্যক্তিগত দুৰ্ঘটনাজনিত বীমা
সৰ্বাধিক ২ কোটি টকাৰ
বিমান দুৰ্ঘটনাজনিত বীমা
সৰ্বাধিক ১ কোটি টকাৰ
স্থায়ী সম্পূৰ্ণ পংগুত্বৰ বীমা
সৰ্বাধিক ৮০ লাখ টকাৰ
স্থায়ী আংশিক পংগুত্বৰ বীমা
ন্যূনতম ১০ লাখ টকাৰ
ম্যাদী জীৱন বীমা
কৰ্মচাৰীৰ লগতে তেওঁলোকৰ পৰিয়ালৰ স্বাস্থ্য বীমাৰ ক্ষেত্ৰত ব্যয়সাধ্য প্ৰিমিয়াম
চলিত ছেভিংছ একাউণ্টটো ছেলাৰী পেকেজ একাউণ্টলৈ ৰূপান্তৰৰ সৰল প্ৰক্ৰিয়া
অন্যান্য দিশ
নিয়মীয়াকৈ দৰমহা প্ৰাপ্তি ঃ
ছেলাৰী একাউণ্টটোত অন্ততঃ এমাহৰ দৰমহা জমা হ'ব লাগিব
সৰলীকৃত দাবী প্ৰক্ৰিয়া ঃ
প্ৰয়োজনীয় নথি-পত্ৰ প্ৰদানেৰে বেংকক দুৰ্ঘটনাৰ বিষয়ে অৱগত কৰিলে বীমাৰ সুবিধাৰ ক্ষেত্ৰত নিশ্চিত সহযোগ লাভ কৰিব
সবিশেষ জানিবলৈ সমীপৰ
বেংকৰ শাখাৰ সৈতে যোগাযোগ কৰক
অথবা
টোল ফ্ৰী নম্বৰ
১৮০০-২০২-৬২৫৬
https://finance.assam.gov.in @assamfindept

**যোৱাখণ্ডৰ পৰা...**

# কিশোৰ সাহিত্য আৰু অসমীয়া সাহিত্যত কিশোৰ মনস্তত্ত্বৰ প্ৰতিফলন

টুনুজ্যোতি গগৈ



সি যি হওক, কৈশোৰৰ দাবীসমূহক মনস্তাত্ত্বিক ব্যাখ্যাৰে উপস্থাপন কৰা বা তেওঁলোকৰ মনোজগতৰ গোপন খবৰসমূহ যথাযথভাবে সংগ্ৰহ কৰি সহজবোধ্য ভাষাত প্ৰকাশ কৰাটোৱেই এজন কিশোৰ সাহিত্যিকৰ প্ৰধান কৰ্তব্য হোৱা উচিত। এনে দিশসমূহৰ প্ৰতি সতৰ্ক দৃষ্টি ৰাখি বিভিন্ন বিদেশী সাহিত্যিকে বহু উচ্চমানৰ কিশোৰ সাহিত্য সৃষ্টি কৰিছে। আক্ষেপৰ বিষয় যে আমাৰ অসমৰ বা ভাৰতৰ সাহিত্যিকসকলে প্ৰাপ্তবয়স্কৰ বাবে লেখাত যিমান গুৰুত্ব দিয়ে, সিমান গুৰুত্ব কিশোৰ সাহিত্যৰ প্ৰতি নিদিয়ে। অৱশ্যে, বাংলা ভাষাত হেমেন্দ্ৰ কুমাৰ ৰায়, তাৰাশংকৰ বন্দোপাধ্যায়, শৰদিন্দু বন্দোপাধ্যায়, প্ৰেমেন্দ্ৰ মিত্ৰ, বুদ্ধদেৱ বসু, আশাপূৰ্ণা দেবী, নাৰায়ণ স্যানাল, সমৰেশ বসু, সুনীল গংগোপাধ্যায়, শীৰ্ষেন্দু মুখোপাধ্যায় আদিয়ে ভালেমান উচ্চমান বিশিষ্ট কিশোৰ সাহিত্য ৰচনা কৰিছে। শেহতীয়াভাৱে অসমীয়া ভাষাতো শিশু সাহিত্যৰ প্ৰতি যথেষ্ট গুৰুত্ব দিয়া পৰিলক্ষিত হৈছে, কিন্তু প্ৰকাশক-সাহিত্যিকসকলে কিশোৰ সাহিত্যৰ প্ৰতি একধৰণৰ উদাসীনতা অৱলম্বন কৰি থকাই দেখি আহিছো। বহু সময়ত আকৌ কিশোৰ সাহিত্যক শিশু সাহিত্যৰ সৈতেই একাকাৰ কৰি পেলোৱা হৈছে। কথা হ'ল, অন্যান্য সাহিত্য শাখাৰ তুলনাত বিপুল নহ'লেও কিশোৰ সাহিত্য বিষয়, ভাৱ আৰু ৰসৰ পিনৰপৰা কোনোপধ্যে উপেক্ষণীয় নহয়।

দুখৰ বিষয় যে অসমীয়া শিশু সাহিত্যৰ ক্ষেত্ৰখন বহুপৰিমাণে সমৃদ্ধ হোৱাৰ বিপৰীতে কিশোৰ সাহিত্যৰ ক্ষেত্ৰখন তেনেই চালুকীয়া। লক্ষ্মীনাথ বেজবৰুৱাৰ বুঢ়ী আইৰ সাধু, আলিবাবা আৰু দুকুৰি ডকাইত, পঞ্চতন্ত্ৰৰ সাধু, জাতকৰ সাধু, গ্ৰীচ দেশৰ সাধু আদি গ্ৰন্থ পঢ়ি বা জ্যেষ্ঠসকলৰ মুখেৰে ৰজা-ৰাণী, ভূত-প্ৰেতৰ বিচিত্ৰ সাধু শুনি সোণালী শৈশৱ অতিবাহিত কৰা অসমীয়া মাধ্যমৰ কিশোৰসকলে কৈশোৰ বয়সত পঢ়িবলৈ উপযুক্ত গ্ৰন্থ-আলোচনীৰ অভাব অনুভৱ কৰে। অভিভাৱকসকলেও তেওঁলোকৰ হাতত বয়সোপযোগী উপযুক্ত অসমীয়া গ্ৰন্থ-আলোচনী তুলি দিব নোৱাৰে। প্ৰিয়দাস তালুকদাৰৰ কিচিঙৰ পয়মাল, প্ৰেম নাৰায়ণ দত্তৰ পা-ফু ছিৰিজৰ গ্ৰন্থবোৰ, কুমাৰ কিশোৰৰ দুখনমান গ্ৰন্থ, ৰঞ্জু হাজৰিকাৰ কেইখনমান গ্ৰন্থ, কাঞ্চন বৰুৱাৰ অসীমত যাৰ হেৰাল সীমা, হোমেন বৰগোহাঞিৰ কিতাপ পঢ়াৰ আনন্দ, মানুহ হোৱাৰ গৌৰৱ, সাউদৰ পুতেকে নাও মেলি যায় আদি গ্ৰন্থ, ড° ভবেন্দ্ৰনাথ শইকীয়াৰ মৰমৰ দেউতা, বন্দিতা ফুকনৰ কল্পবিজ্ঞানৰ গল্প আদিক অসমীয়া কিশোৰ উপযোগী সাহিত্য বুলি অভিহিত কৰিব পাৰিলেও এই গ্ৰন্থসমূহ কিশোৰসকলৰ বাবে সকলো সময়তে সহজলভ্য নহয়। তেনেদৰে, সম্প্ৰতি বাৰ ওঠৰনামৰ আলোচনীখনৰ বাদে অসমীয়া ভাষাত কিশোৰ আলোচনী নায়েই।

ৰজা-ৰাণী, ভূত-প্ৰেতৰ কাহিনীৰ প্ৰতি আগৰ দৰে আগ্ৰহ অনুভৱ নকৰা কিশোৰসকলে সাধাৰণতে ৰহস্যধৰ্মী গল্প-উপন্যাস, জীৱনক ক্ৰমোত্তৰণৰ পথেৰে আগুৱাই নিবলৈ প্ৰেৰণা যোগাব পৰা জীৱনমুখী গ্ৰন্থ, সঘন অৰণ্য-তুষাৰবৃত অঞ্চল আদিত চলোৱা দুঃসাহসিক অভিযানৰ কাহিনী, মহৎ ব্যক্তিৰ জীৱনী আদি পঢ়ি ভাল পায়। কিন্তু, অসমীয়া ভাষাত এনেধৰণৰ কিশোৰ সাহিত্য পৰ্যাপ্ত পৰিমাণে নথকাত তেওঁলোকে প্ৰাপ্তবয়স্কৰ বাবে ৰচিত-প্ৰকাশিত বিনোদনধৰ্মী গ্ৰন্থ-আলোচনী অধ্যয়ন কৰিবলৈ লয়। অভিভাৱকে তেনে গ্ৰন্থ-আলোচনী পঢ়াটো নিবিচাৰিলে তেওঁলোকে সেইবোৰ লুকাই-চুৰিকৈ হ'লেও পঢ়া দেখা যায়। কিন্তু, প্ৰাপ্তবয়স্কৰ বাবে ৰচিত সাহিত্য কিশোৰসকলে কিমানখিনি আয়ত্ত কৰিব পাৰে, তাত সন্দেহৰ অৱকাশ থাকে। সেইদৰে, কিশোৰসকলে বিনোদনধৰ্মী আলোচনীসমূহত প্ৰকাশিত গল্প-উপন্যাস পঢ়ি ভাল পালেও সিবোৰৰ বেছিভাগেই তেওঁলোকক গভীৰ জীৱনবোধৰ সৈতে পৰিচয় কৰাই দিব নোৱাৰে।

অসমীয়া ভাষাত উল্লেখযোগ্য কিশোৰ সাহিত্য সৃষ্টি নোহোৱাৰ বাবে অসমীয়া কথা সাহিত্যৰ ইতিহাসত কিশোৰ গল্প-উপন্যাসৰ সুকীয়া মূল্যায়নো পাবলৈ নাই। এই আলোচনাত অসমীয়া ভাষাত উপলব্ধ সীমিতসংখ্যক কিশোৰ সাহিত্যত কেৱল কিশোৰ মনৰ আৱেগ-অনুভূতিয়েই প্ৰতিফলিত হৈছে, নে তেওঁলোকৰ মনৰ সৈতে অবিচ্ছেদ্যভাবে জড়িত দেহৰ সম্পৰ্কও মুক্ত দৃষ্টিৰে নিৰীক্ষণ কৰাৰ চেষ্টা কৰিছে - সেয়া দুটিমান উদাহৰণসহ বিচাৰ কৰাৰ প্ৰয়াস কৰিম। সেইদৰে, প্ৰাপ্তবয়স্কৰ বাবে ৰচিত অসমীয়া কথা সাহিত্যত, বিশেষকৈ উপন্যাস সাহিত্যত কিশোৰ মনস্তত্ত্ব কেনেদৰে প্ৰতিফলন ঘটিছে; সেয়াও হাততে ঢুকি পোৱা সাহিত্যপাঠৰ আলমত বিচাৰ-বিশ্লেষণৰ প্ৰয়াস কৰা হ'ব। লক্ষণীয় যে মনোবিজ্ঞানীসকলে বিভিন্ন তত্ত্বৰ আলোকত মানুহৰ মানসিক কাৰ্যৱলীৰ বিষয়ে চৰ্চা-গৱেষণা কৰি আহিছে। এই তত্ত্বসমূহ সাহিত্যৰ চৰিত্ৰসমূহ বিশ্লেষণ কৰোঁতেও ব্যৱহাৰ কৰা হয়। বিতৰ্কৰ অনেক অৱকাশ থাকিলেও বিংশ-একবিংশ শতিকাৰ শিল্প-সাহিত্যত ফ্ৰয়েডীয় তত্ত্বৰ প্ৰভাৱ অস্বীকাৰ কৰিব নোৱাৰি। এই আলোচনাত ফ্ৰয়েডীয় দৃষ্টিকোণেৰে দুটিমান কিশোৰ চৰিত্ৰ বিশ্লেষণ কৰা হ'ব।

সংখ্যাত তাকৰ হ'লেও বিশিষ্ট সাহিত্যিক হোমেন বৰগোহাঞিৰ কিশোৰ উপযোগী গ্ৰন্থ কেইখনে অসমীয়া কিশোৰ সাহিত্যক বিষয়বস্তু দিশৰ পৰা গুণগতভাৱে চহকী কৰিছে। মৃত্যুৰ প্ৰাক মুহূৰ্তলৈকে বাৰ-ওঠৰ নামৰ আলোচনীখনৰ সম্পাদনা উপদেষ্টাৰ দায়িত্বত থকা বৰগোহাঞিৰ সম্পাদনাতে বিংশ শতিকাৰ শেষৰ পিনে কিশোৰ নামৰ এখন উচ্চমানৰ আলোচনী প্ৰকাশ পাইছিল। বৰগোহাঞিৰ সাউদৰ পুতেকে নাও মেলি যায় অসমীয়া ভাষাত লিখিত এখন সাৰ্থক কিশোৰ উপন্যাস। উপন্যাসখনৰ নায়ক বাপুকণৰ মনৰ খবৰ ঔপন্যাসিকে এনেদৰে দিছে -'বাপুকণে মাত্ৰ কেইমাহমানৰ আগতে আলোচনীৰ গল্পবোৰৰ মাজত কটন কলেজখন আৱিষ্কাৰ কৰিছে। অসমৰ আটাইতকৈ প্ৰতিভাবান ডেকাবোৰ আৰু আটাইতকৈ সুন্দৰী গাভৰুবোৰ কটন কলেজত পঢ়িবলৈ যায়। দিনত তেওঁলোকে চাহাব প্ৰফেছৰৰ পৰা সাহিত্য আৰু দৰ্শন শিকে, ৰাতি তেওঁলোকে হোষ্টেলত সুন্দৰী সহপাঠিনীসকলৰ ৰূপ ধ্যান কৰি ঘনে ঘনে দীৰ্ঘশ্বাস পেলায় অথবা ইংৰাজী কবিতাৰ উদ্ধৃতি দি প্ৰেমপত্ৰ লিখে।'

অতি সংবেদনশীল আৰু প্ৰকৃতিৰ অনন্ত ৰহস্যৰ প্ৰতি কৌতূহলী বাপুকণ ওৰফে বিক্ৰমৰ মানসিক বিকাশৰ কাহিনী উপন্যাসখনৰ পাতে পাতে পৰিলক্ষিত হয়। বাপুকণৰ গাঁৱৰ প্ৰকৃতিৰ সৈতে থকা নিবিড় আত্মীয়তা আৰু সামাজিক কাম-কাজৰ প্ৰতি অনুভৱ কৰা স্পৃহাৰ জৰিয়তে ঔপন্যাসিকে আচলতে শৈশৱ আৰু কৈশোৰত জীৱন তথা জগত সম্পৰ্কে লাভ কৰা উপলব্ধিৰ বিষয়েই ব্যক্ত কৰিব খুজিছে। উপন্যাসখনৰ দ্বিতীয় অধ্যায়ত বিক্ৰমে গ্ৰন্থৰ জগতত জীৱনৰ এক নতুন ৰূপ দৰ্শন কৰিছে। বিক্ৰমে অনুভৱ কৰা কৈশোৰৰ ব্যাখ্যাতীত বিষাদ, মাদকতা আৰু ৰহস্যময়তাৰ উপলব্ধি গ্ৰন্থ অধ্যয়ন আৰু দুলালৰ সংগ লাভৰ পাছত গাঢ় হৈ পৰে। সমবয়সী ছোৱালী ৰেণুৰ প্ৰতি অনুভৱ কৰা ব্যাখ্যাহীন আকৰ্ষণে তেওঁৰ মনত প্ৰবল ধুমুহাৰ সৃষ্টি কৰিছে।

এখন ভিতৰুৱা-অনুন্নত গাঁৱৰ এজন কিশোৰৰ আশা-আকাংশা, মহাজীৱনৰ প্ৰতি থকা দুৰ্বাৰ আকুলতা, হৃদয় জাগৰূক প্ৰেম, মৃত্যু যন্ত্ৰণা আদি উপন্যাসখনিত বৰগোহাঞিয়ে সুন্দৰভাৱে চিত্ৰিত কৰিছে। এই আত্মজীৱনীমূলক উপন্যাসখন বৰগোহাঞিয়ে নিজৰ কৈশোৰ কালৰ অনুভৱক লৈ ৰচনা কৰাৰ বাবে উপন্যাসখনত তেনে কোনো অবাস্তৱ বৰ্ণনাই স্থান পোৱা নাই।

প্ৰসংগক্ৰমে উল্লেখ্য, বৰগোহাঞিৰ 'যৌৱন' শীৰ্ষক গল্পত চহৰীয়া কিশোৰৰ মনস্তত্ত্ব ফুটি উঠাৰ বিপৰীতে 'গৰখীয়া' গল্পত গাঁৱলীয়া কিশোৰৰ মনস্তত্ব সুন্দৰভাৱে ফুটি উঠিছে। 'যৌৱন' গল্পটোত অমিয় নামৰ কিশোৰ এজনে কৈছে- "জীৱনৰ আটাইতকৈ ডাঙৰ স্বাধীনতা কি জান মহীউদ্দিন, পাপ কৰিবৰ স্বাধীনতা।' কিন্তু স্বাধীনতা কোনেও যাচি নিদিয়ে। তাক জোৰকৈ আদায় কৰিব লাগে। মই আজি এটা পাপ কাম কৰিম। মাৰ পৰা টকা দুটা খুঁজি আনিছিলোঁ কিতাপ এখন কিনি আনিম বুলি। কিন্তু তাৰে এতিয়া আমি চাহ খাম। ঈশ্বৰৰ বিৰুদ্ধে লুচিফাৰৰ এই প্ৰথম বিদ্ৰোহ।' জাঁ পল ছাত্ৰেৰ অস্তিত্ববাদৰ প্ৰভাৱ পৰিলক্ষিত গল্পটিত কিশোৰ মনৰ নিঃসংগতা, নিৰাশ্ৰয়তা, ভয়-যন্ত্ৰণা, বিদ্ৰোহ আদি ফুটি সুন্দৰকৈ উঠিছে- 'অন্নপূৰ্ণা ৰেস্তোৰাঁৰ জেকা দুগন্ধময় কেবিনটো হঠাৎ জীৱনৰ এটা ৰহস্যময় চেতনাৰে স্পন্দিত হৈ উঠিল। অমিয় প্ৰমুখ্যে পাঁচটি কিশোৰ যেন পাঁচটি পৰীক্ষাৰ্থী, সিহঁতৰ সন্মুখত জীৱন সম্পৰ্কীয় যাবতীয় প্ৰশ্ন। সেই প্ৰশ্নৰ উত্তৰ দিবলৈ বীজগণিতৰ ফৰ্মুলা বা ভাৰতবৰ্ষৰ বুৰঞ্জীৰ জ্ঞান একো কামত নালাগে। এই প্ৰশ্ন সিহঁত কিয় জীয়াই থাকিব তাৰ প্ৰশ্ন, কি কৰি জীয়াই থাকিব তাৰ প্ৰশ্ন নহয়।'

বৰগোহাঞিৰ গ্ৰাম্য পটভূমিত ৰচিত 'গৰখীয়া' গল্পটিতো কিশোৰ মনস্তত্ত্ব মনোৰমভাৱে ফুটি উঠিছে। বুধিৰাম নামৰ কিশোৰজনৰ দায়িত্ববোধ, দুঃখবোধ, জীৱপ্ৰীতি, প্ৰকৃতিপ্ৰীতি, দৈহিক পৰিৱৰ্তন, গোপন প্ৰেম আদি গল্পকাৰে অতি বাস্তৱসন্মতভাৱে বৰ্ণনা কৰিছে। এজন কিশোৰ দৈহিক বিকাশৰ লগে লগে কেনেদৰে ৰোমাঞ্চিত হৈ উঠে, সেয়া বুধিৰামৰ জৰিয়তে শক্তিশালী ভাষাৰে উপস্থাপন কৰিছে। গল্পৰ নায়ক বুধিৰামে গৃহস্থৰ সন্তান অকণক বিড়ি খালে গাৰ নোম আৰু দাড়ি-গোঁফ গজে বুলি কোৱাই নহয়, অকণৰ সন্মুখত চুৰিয়াখনৰ পোন্ধটো খুলি তাৰ নতুনকৈ গজি উঠা যৌনকেশো দেখুৱাইছে। গল্পটোত বুধিৰামে বগীতৰাৰ প্ৰতি অনুভৱ কৰা তীব্ৰ অনুৰাগ এনেদৰে বৰ্ণনা কৰিছে- 'বগীতৰাৰ কথা, বগীতৰাৰ চাৱনি, বগীতৰাৰ ঠেহ-পেচ অজস্ৰ সোঁৱৰণি তাৰ মনত সাঁচি থোৱা আছে। তাৰ যিকোনো এটা বা প্ৰত্যেকটোৱেই তাইৰ হৃদয়ৰ প্ৰেমৰ বাণী হ'ব পাৰে। কিন্তু বুধিৰামৰ সাহস নাছিল তেনেদৰে ভাবিবলৈ, তেনেদৰে বিশ্বাস কৰিবলৈ। গতিকে তাৰ মুখ খুলি একো কোৱা নহ'ল।'

ড° ভবেন্দ্ৰনাথ শইকীয়াৰ মৰমৰ দেউতা উপন্যাসখনত অসমীয়া মধ্যবিত্ত পৰিয়াল এটাত সততে পৰিলক্ষিত হোৱা অভিভাৱক আৰু সন্তানৰ শীতল সংঘাত প্ৰতিফলিত হৈছে। মাক-দেউতাকৰ অবাধ্য, বেয়া সংগত পৰি ৰাগীয়াল দ্ৰব্য সেৱন কৰা, ঘৰত অশান্তিৰ সৃষ্টি কৰা বিপুল নামৰ কিশোৰ ***( বাৰপৃষ্ঠাত চাওক)***

# বিশিষ্ট সাহিত্যিক

সংস্থাৰ কাৰ্যনিৰ্বাহক সদস্য ৰূপে একাধিকবাৰ কাৰ্যনিৰ্বাহ কৰা ভৱানীপ্ৰসাদ অধিকাৰীয়ে সংস্থাৰ বিভিন্ন পদবীৰ সৈতেও জড়িত আছিল। তদুপৰি ভাৰতীয় ৰাষ্ট্ৰীয় গ্ৰামীণ শ্ৰমিক ফেডাৰেচনৰ সৰ্বভাৰতীয় কাউঞ্চিলৰ সদস্য, অসম সংহতি ৰক্ষা পৰিষদৰ যুটীয়া সম্পাদক, জেনেভাৰ আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক সংঘৰ সদস্য আদি বিভিন্ন সংগঠনৰ সৈতেও তেওঁ জড়িত আছিল। তদুপৰি ভাষা আন্দোলনত ১৯৬০ চনতে অংশগ্ৰহণ কৰা ভৱানীপ্ৰসাদ অধিকাৰীয়ে অসমৰ প্ৰথম শোধনাগাৰ আন্দোলন, দ্বিতীয় শোধনাগাৰ আন্দোলন, মাধ্যম আন্দোলন, খাদ্য আন্দোলনৰ পৰা আৰম্ভ কৰি অসম আন্দোলনৰ সময়লৈকে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। জীৱনজোৰা এই অৱদানৰ বাবে অসম সাহিত্য সভাৰ আজীৱন সভ্য ৰূপে সেৱাৰ স্বীকৃতি, অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য, অনুসন্ধান সমিতি, প্ৰকাশন সমিতিৰ সচিব, সদস্য, অখিল ভাৰতীয় সাহিত্য পৰিষদ অসমৰ উপদেষ্টা ৰূপেও অধিষ্ঠিত হৈছিল। মৃত্যুৰ পাছত তেওঁৰ মৃতদেহ দীঘলীপুখুৰীৰ অসম সাহিত্য সভাৰ কাৰ্যালয়লৈ বাসভৱনৰ পৰা পোনে পোনে নিয়া হয়। তাতেই সভাৰ বিষয়ববীয়াসকলে শ্ৰদ্ধাঞ্জলি  জ্ঞাপন কৰাৰ পাছতে মৃতদেহ নৱগ্ৰহ শ্মশানলৈ নিয়া হয়। নৱগ্ৰহত তেওঁৰ শেষকৃত্য সম্পন্ন কৰা হয়। বিশিষ্ট শিক্ষাবিদগৰাকীয়ে মৃত্যুৰ সময়ত পত্নী কল্যাণী দেৱী অধিকাৰী, পুত্ৰদ্বয় ক্ৰমে পাৰ্থপ্ৰতিম অধিকাৰী আৰু মানসপ্ৰতিম অধিকাৰীসহ অনেক আত্মীয়-স্বজনক ইহ সংসাৰত এৰি যায়। বিশিষ্ট সাহিত্যক, শিক্ষাবিদ ভৱানীপ্ৰসাদ অধিকাৰীৰ মৃত্যুত শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। এক শোকবাৰ্তাযোগে মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে অসমীয়া ভাষাতত্ত্বমূলক বহু গৱেষণামূলক আৰু সমালোচনামূলক প্ৰবন্ধ, গল্প, কবিতা, গীত আদি ৰচনাৰে অসমীয়া সাহিত্যক সমৃদ্ধ কৰা বিশিষ্ট সাহিত্যিকগৰাকীৰ বিয়োগ অসমৰ সমাজ জীৱনৰ বাবে এক অপূৰণীয় ক্ষতি। মুখ্যমন্ত্ৰীয়ে বিদেহ আত্মাৰ সদ্‌গতি কামনা কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।

# ১ অক্টোবৰৰ পৰা ৰেচন

পৰা ৰেচন কাৰ্ড থকা পৰিয়ালে এতিয়াৰে পৰা কাৰ্ডৰ জৰিয়তে বজাৰ দৰতকৈ কম মূল্যত দাইল, চেনি আৰু নিমখ লাভ কৰিব। বজাৰৰ দৰতকৈ দাইল আৰু চেনি ২৫ টকা কম মূল্যত লাভ কৰাৰ লগতে নিমখত ১০ টকা কম মূল্যত ক্ৰয় কৰিব পাৰিব। তেওঁ লগতে কয় যে ৰেচন কাৰ্ড থকা ৫জনীয়া পৰিয়ালে এক কিলোগ্ৰামকৈ এই সামগ্ৰী লাভ কৰিব আৰু ৫জনতকৈ অধিক থাকিলে এই সামগ্ৰী দুই কিলোগ্ৰামকৈ লাভ কৰিব। এই ব্যৱস্থা ১ অক্টোবৰৰ পৰা আৰম্ভ হ'ব। দুখীয়া লোকসকলে ঘৰ লাভ কৰাৰ লগতে অৰুণোদয় আৰু ৰেচন কাৰ্ডৰ জৰিয়তে দাইল, চেনি, নিমখো লাভ কৰিব। মুখ্যমন্ত্ৰীয়ে ইয়াকো স্পষ্ট কৰে যে মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিখনৰ অধীনত আত্মসহায়ক গোটৰ যোগ্য মহিলাক ১০ হাজাৰ টকাকৈ প্ৰদান কৰাৰ ব্যৱস্থা কৰা হৈছে। এই ১০ হাজাৰ টকা সঠিককৈ ব্যৱহাৰ কৰিলে বেংকৰ পৰা ২৫ হাজাৰ টকাকৈ দিয়াৰ ব্যৱস্থা কৰা হ'ব। ইয়াৰে ১২, ৫০০ টকা চৰকাৰে প্ৰদান কৰিব। এই আঁচনিখন ৰ এপ্ৰিলৰ পৰা আৰম্ভ কৰা হ'ব।

# ৰাজস্থান ৰয়েলছৰ নতুন

দ্বিতীয়খন মেচ হ'ব কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে আৰু আনখন চেন্নাইৰ বিৰুদ্ধে। উল্লেখযোগ্য যে দলটোৰ নিয়মীয়া অধিনায়ক সঞ্জু ছেমছনে এই তিনিওখন মেচত এগৰাকী বেটছমেন হিচাপে খেলাৰ কথা সদৰী কৰে ফ্ৰেন্সাইজীটোৱে। যোৱা কেইসপ্তাহমানৰ পৰা আঙুলিৰ আঘাতত ভুগি থকা সঞ্জু  চেমছন এতিয়াও সম্পূৰ্ণৰূপে সুস্থ হৈ উঠা নাই। চেমছনে বিচিচিআইৰ চেণ্টাৰ অৱ এক্সেলেন্সৰ পৰা বেটিং কৰাৰ অনুমতি লাভ কৰিছে যদিও এতিয়াও উইকেটকীপিঙৰ বাবে গ্ৰীণ চিগনেল লাভ কৰা নাই। এনে পৰিস্থিতিত ৰাজস্থান ৰয়েলছে অধিনায়কত্ব সলনি কৰাৰ সিদ্ধান্ত লোৱা হৈছে।  অৱশ্যে সম্পূৰ্ণ ফিট হৈ অধিনায়ক হিচাপে পুনৰ ঘূৰি আহিব সঞ্জু।

# পাকিস্তানক ৫ উইকেটত

২টা উইকেট লাভ কৰে। ইয়াৰ পূৰ্বে প্ৰথমে বেটিং কৰিবলৈ আহি প্ৰাৰম্ভিক বিপৰ্যয়ৰ সন্মুখীন হৈ পাকিস্তানে নিৰ্ধাৰিত ১৫ অভাৰত ৯টা উইকেট হেৰুৱাই ১৩৫ ৰান কৰে। অধিনায়ক ছলমান আঘাই সৰ্বাধিক ৪৬, ছাদাব খানে ২৬ আৰু শ্বাহিন শ্বাহ আফ্ৰিদীয়ে অপৰাজিতভাৱে ২২ ৰান কৰে। মহম্মদ হৰিশে ১১, হাছান নাবাজে ০, ইৰফান খানে ১১ আৰু খুছদিল শ্বাহে মাত্ৰ ২ ৰান কৰি বিদায় লয়। নিউজিলেণ্ডৰ হৈ জেকব ডাফী, বেন ছিয়াৰ্ছ, জেমছ নিছাম আৰু ঈছ সোধীয়ে দুটাকৈ উইকেট লাভ কৰে।

# ৰাজ্যৰ ৩, ৮৮, ৩৫৮ গৰাকী

পৰ্যায়তো হিতাধিকাৰীসকলৰ নাম বিবেচনা কৰা হ'ব। হিতাধিকাৰীসকলে গৃহ লাভ কৰাৰ বাবে নিজৰ ঘৰৰ ছবি তুলি প'ৰ্টেলত দিয়াৰো ব্যৱস্থা কৰিব পাৰিব। ইয়াৰ পূৰ্বে ভাষণ দি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে প্ৰত্যেকজন দৰিদ্ৰ লোকে গৃহ লাভ কৰাটো চৰকাৰে সুনিশ্চিত কৰিব বিচাৰিছে। আগন্তুক সময়ছোৱাত ২৬ লাখ পৰিয়ালৰ বাবে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহ নিৰ্মাণৰ লক্ষ্য সম্পূৰ্ণ কৰা হ'ব। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে নিৰ্বাচনৰ সময়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰতিশ্ৰুতি দিছিল যে তৃতীয়বাৰৰ বাবে শাসনৰ ক্ষমতালৈ আহিলে পুনৰ ৫ কোটি লোকক প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত গৃহ উপলব্ধ কৰোৱা হ'ব। ৫ কোটি লোকলৈ প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহ, জ্যেষ্ঠজনক স্বাস্থ্যৰ বিনামূলীয়া সুবিধা প্ৰদান, কৰ্মচাৰীসকলৰ বাবে ইউনিফাইড পেন্সন আঁচনিৰ লেখীয়া যিবোৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল তাক বাস্তৱত ৰূপায়ণ কৰাৰ বাবে প্ৰধানমন্ত্ৰীয়ে পদক্ষেপ লৈছে। সভাত ভাষণ দি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- চৰকাৰে প্ৰতিবছৰে পৰ্যায়ক্ৰমে গৃহ প্ৰদানৰ ব্যৱস্থা কৰি আহিছে। প্ৰথম আৰু দ্বিতীয় পৰ্যায়ত জিঅ' টেগিং কৰি ২০১১ চনৰ আৰ্থ-সামাজিক সমীক্ষা আৰু ২০১৮ চনৰ জিঅ' টেগিং কৰি ২৬, ১১, ৭৯৩গৰাকী হিতাধিকাৰীক নিৰ্বাচিত কৰা হৈছিল। পৰৱৰ্তী পৰ্যায়ত প্ৰত্যেক বছৰে তিনিৰ পৰা চাৰি লাখ লোকক গৃহ প্ৰদান কৰি অহা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ১০ বছৰীয়া শাসনকালত বৰ্তমানলৈকে ২০, ৪৬, ৫৫৩গৰাকী হিতাধিকাৰীয়ে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহ লাভ কৰিবলৈ সক্ষম হৈছে। তদুপৰি অহা বছৰ এপ্ৰিল আৰু ছেপ্টেম্বৰ মাহত তিনি লাখ ৮০ হাজাৰ পৰিয়ালক গৃহ প্ৰদান কৰা হ'ব। ইয়াৰ ফলত সৰ্বমুঠ ২৬, ১১, ৭৯২টা পৰিয়ালে গৃহ লাভ কৰিব। মুখ্যমন্ত্ৰীয়ে ইয়াকো স্পষ্ট কৰে যে অৰুণোদয় আঁচনিৰ বাবে প্ৰ-পত্ৰ বিতৰণ কৰি থকা হৈছে। পূৰ্বে ২৬ লাখ লোকক এই আঁচনিৰ জৰিয়তে সামৰি লোৱা হৈছিল যদিও এতিয়া ৩৭ লাখ লোকে এই আঁচনিৰ সুবিধা লাভকৰিব। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অতিৰিক্ত মুখ্য সচিব ড° জে বি একাই আদৰণী ভাষণ দিয়া অনুষ্ঠানটোত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসেও ভাষণ দিয়ে।

# ডিব্ৰুগড়ত সপ্তম অসম ৰাজ্যিক বিত্ত

পঞ্চায়ত আৰু গাওঁ পঞ্চায়তৰ বিষয়ববীয়াই  বিত্তীয় আয়োগৰ তৰফৰ পৰা নিৰ্ধাৰিত প্ৰশ্নাৱলীৰ আধাৰত বিতং তথ্য আগবঢ়ায়। সপ্তম অসম ৰাজ্যিক বিত্তীয় আয়োগৰ মাননীয় অধ্যক্ষ  মহোদয়ে পঞ্চায়তী ৰাজ প্ৰতিষ্ঠানৰ লগতে সকলো সংশ্লিষ্ট বিভাগক নিজস্ব উৎসৰে ৰাজহ সংগ্ৰহ বৃদ্ধি কৰিবলৈ  লগতে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ অনুদানসমূহৰ সৎ ব্যৱহাৰ কৰি উপাৰ্জন সৃষ্টিকাৰী সম্পদ গঢ়িবলৈ পৰামৰ্শ আগবঢ়ায়। ডিব্ৰুগড় পৌৰ নিগমৰ মেয়ৰ  আৰু জিলাখনৰ আটাইকেইখন পৌৰসভাৰ পৌৰপতি আৰু কাৰ্যবাহী বিষয়াসকলৰ সৈতে হোৱা সভাত পৌৰ নিগম তথা পৌৰ সভাকেইখনৰ কৰ্মচাৰীৰ সাম্প্ৰতিক স্থিতি, ৰাজহ উৎপাদন, বৰ্তমান ৰূপায়ণহৈ থকা বিভিন্ন প্ৰকল্প আৰু ইয়াৰ লগত জড়িত প্ৰত্যাহ্বান, কৰ সংগ্ৰহ উন্নত কৰাৰ ভৱিষ্যতৰ সম্ভাৱনাৰ ওপৰত বিতং আলোচনা কৰা হয়। আয়োগৰ তৰফৰ পৰা ৰাজহ উৎপাদন বৃদ্ধিৰ লগতে জনসাধাৰণৰ প্ৰতি থকা সেৱা উন্নত কৰাৰ ক্ষেত্ৰত পৰামৰ্শ আগবঢ়োৱা হয়। এই সভাত সপ্তম অসম  ৰাজ্যিক বিত্ত আয়োগৰ  পৰামৰ্শদাতাদ্বয় ক্ৰমে অৱসৰপ্ৰাপ্ত কৰ্ণেল বুধিন্দ্ৰ লহকৰ, অধ্যাপক কনক হালৈ, পৌৰ প্ৰশাসন সঞ্চালকালয়ৰ এছ.আৰ.অ  মনোজ কুমাৰ কাফলে, ডিব্ৰুগড় জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া বিপুল কুমাৰ দাস, ডিব্ৰুগড় পৌৰ নিগমৰ মেয়ৰ ডাঃ সৈকত পাত্ৰ প্ৰমুখ্যে চাবুৱা, নাহৰকটীয়া আৰু নামৰূপ পৌৰসভাৰ পৌৰপতিদ্বয়, বিভিন্ন উন্নয়নী বিভাগৰ বিভাগীয় মূৰব্বীসকল, খণ্ড উন্নয়ন বিষয়াসকল, পৌৰসভাৰ কাৰ্যবাহী বিষয়াসকল, জিলা পৰিষদৰ বিষয়ববীয়া তথা জিলাখনৰ বিভিন্ন পঞ্চায়তৰ পঞ্চায়ত সচিবসকল উপস্থিত থাকে।

# ২৮৬ দিন অপেক্ষাৰ অন্তত

হিচাপে ড'নাল্ড ট্ৰাম্পে শপতগ্ৰহণ কৰাৰ পাছতেই পূৰ্বৰ ৰাষ্ট্ৰপতি জ' বাইডেনক উইলিয়ামছসহ দুই মাৰ্কিন মহাকাশচাৰী আইএছএছত আবদ্ধ হৈ থকাৰ বাবে জগৰীয়া কৰে। ইয়াৰ পাছতেই দুই মহাকাশচাৰীক উদ্ধাৰ কৰিবলৈ নাছা আৰু এলন মাস্কৰ ব্যক্তিগত মহাকাশ কোম্পানী স্পেচএক্সে পদক্ষেপ গ্ৰহণ কৰে। আইএছএছৰ পৰা দুই মহাকাশচাৰীক ওভতাই অনাৰ প্ৰতিশ্ৰুতি দিয়া এলন মাস্কে অৱশেষত নাছাৰ সহযোগত আইএছএছলৈ মহাকাশযান প্ৰেৰণ কৰে। যোৱা ১৫ মাৰ্চত চাৰিজন মহাকাশচাৰীক লৈ নাছাৰ ক্ৰিউ ৯ অভিযান আৰম্ভ হয়। আইএছএছত আবদ্ধ দুই মহাকাশচাৰীক ওভতাই আনিবলৈ স্পেচএক্সৰ ড্ৰেগন কেপচুল ১৭ মাৰ্চত আইএছএছৰ সৈতে সংলগ্ন হয়। ইয়াৰ পাছতেই ড্ৰেগন কেপচুলত পৃথিৱীমুখী যাত্ৰা আৰম্ভ কৰিবলৈ আবদ্ধ দুই মহাকাশচাৰী সুনীতা উইলিয়ামছ আৰু বুশ্ব উইলমোৰে প্ৰৱেশ কৰে। ইয়াৰ লগতে  আইএছএছত  থকা নাছাৰ মহাকাশচাৰী  নিক  হগ আৰু ৰাছিয়াৰ মহাকাশচাৰী এলেক্সজেণ্ডাৰ গৰ্বনভেও ড্ৰেগন কেপচুলত প্ৰৱেশ কৰে। পৃথিৱীগামী ড্ৰেগন কেপচুলত চাৰিগৰাকী মহাকাশচাৰীৰ প্ৰৱেশৰ পাছত সকলো কাৰিকৰী দিশ সমাপন কৰি ১৮ মাৰ্চৰ পুৱা ড্ৰেগন কেপচুলটো আইএছএছৰ পৰা পৃথক হয়। লগে লগে পৃথিৱীমুখী যাত্ৰা আৰম্ভ হয়। ১৭ ঘণ্টীয়া এই যাত্ৰাৰ সময়ত ড্ৰেগন কেপচুলে পৃথিৱীৰ বায়ুমণ্ডলত প্ৰৱেশ কৰাৰ লগতে এটা অংশ এৰি দিয়ে। দ্ৰুতগতিৰে পৃথিৱীৰ বায়ুমণ্ডলত ড্ৰেগনৰ গতিৰ বাবে তাপমাত্ৰা অভাৱনীয় হাৰত বৃদ্ধি পায়। এই তাপমাত্ৰাৰ পৰা ড্ৰেগন আৰু মহাকাশচাৰীৰ সুৰক্ষাৰ বাবে তাপ ঢাল ব্যৱহাৰ কৰা হয়। প্ৰতি ক্ষণে ক্ষণে জটিলতা অতিক্ৰম কৰি পৃথিৱীলৈ আহি থকা এই যানখনৰ দ্ৰুতগতি হ্ৰাস কৰাৰ বাবে পৰৱৰ্তী সময়ত চাৰিটাকৈ পেৰাচুট খুলি দিয়া হয়। এই পেৰাচুটৰ সহায়ত গতি হ্ৰাস হোৱা ড্ৰেগন কেপচুলটো ইতিপূৰ্বে চিনাক্ত কৰি থোৱা ফ্ল'ৰিডাৰ আটলাণ্টিক মহাসাগৰৰ পানীত কেপচুলটোৱে মসৃণ অৱতৰণ কৰে। এই অৱতৰণৰ লগে লগে শ্বাসৰুদ্ধকৰ এক অভিযানৰ সামৰণি পৰে।  কেপচুলটোৰ চৌপাশে উদ্ধাৰকাৰী জাহাজ আৰু ডুবাৰু সষ্টম হৈ আছিল। নিৰ্ধাৰিত কাৰ্যসূচী মতেই কেপচুলত থকা উইলিয়ামছসহ মহাকাশচাৰীকেইজনক উদ্ধাৰকাৰী জাহাজত উঠোৱা হয়। ইয়াৰ পিছতে মহাকাশচাৰীকেইজনক স্বাস্থ্য পৰীক্ষাৰ বাবে বিশেষ চিকিৎসালয়লৈ লৈ যোৱা হয়। ৪৫ দিন পুনঃসংস্থাপনৰ বাবে মহাকাশচাৰীকেইজনক আছুতীয়াকৈ ৰখা হ'ব। ইয়াৰ পাছতহে এই মহাকাশচাৰীকেইজনৰ ৰাজহুৱা জীৱন আৰম্ভ হ'ব বুলি নাছাৰ তথ্যত প্ৰকাশ পাইছে। ইপিনে নাছা আৰু স্পেচএক্সৰ সফল সামৰণিৰ বাবে বিশ্বৰ বিভিন্ন দেশে অভিনন্দন জ্ঞাপন কৰিছে। মাৰ্কিন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্প আৰু স্পেচএক্সৰ মুৰব্বী এলন মাস্কে মহাকাশচাৰীকেইজনক নিৰাপদে পৃথিৱীলৈ ওভতাই অনাৰ বাবে নাছা আৰু স্পেচএক্সৰ কৰ্মকৰ্তাসকলক অভিনন্দন জ্ঞাপন কৰে।

# উচ্চতৰ মাধ্যমিকৰ প্ৰথম বৰ্ষৰ

গণিতৰ প্ৰশ্নকাকত ফাদিল হোৱাৰ পাছতে পৰিষদে কেইবাখনো বিদ্যালয়ৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিছে। সেই অনুসৰি ৰাজ্যৰ ১০ জিলাৰ ১৫খন ব্যক্তিগত আৰু তিনিখন চৰকাৰী খণ্ডৰ শিক্ষানুষ্ঠানৰ অধ্যক্ষৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰাৰ বাবে জিলা শিক্ষা পৰিদৰ্শকক নিৰ্দেশ দিয়াৰ লগতে শিক্ষানুষ্ঠানকেইখনৰ স্বীকৃতিও নিলম্বন কৰা বুলি ঘোষণা কৰিছে। এই সন্দৰ্ভত এএছএছইবিৰ দ্বিতীয় মণ্ডলৰ সচিবে এক নিৰ্দেশ জাৰি কৰিছে। নিৰ্দেশটোত উল্লেখ কৰা অনুসৰি ২১ মাৰ্চত সময়সূচী নিৰ্ধাৰণ হৈ থকা উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ গণিত বিষয়ৰ প্ৰশ্নকাকত ফাদিলৰ তথ্য লাভ কৰাৰ লগে লগে ২০ মাৰ্চত এক অধিসূচনাযোগে পৰীক্ষা স্থগিত ৰখা হয়। সমান্তৰালভাৱে ২০ মাৰ্চৰ ভিতৰতে শিক্ষানুষ্ঠানসমূহৰ পৰা গণিত বিষয়ৰ ছীলড প্ৰশ্নকাকতৰ পেকেট-কাৰ্টন ঘূৰাই আনিবলৈ বিদ্যালয়সমূহৰ পৰিদৰ্শক-মূল মহাবিদ্যালয় (লীড কলেজ)ৰ সকলো অধ্যক্ষক পৰামৰ্শ দিয়া হয়। কিন্তু সংশ্লিষ্ট বিদ্যালয়সমূহৰ পৰিদৰ্শক-মূল মহাবিদ্যালয়ৰ পৰা ব্যক্তিগত খণ্ডৰ উক্ত ৰপ্তখন ব্যক্তিগত শিক্ষানুষ্ঠানে পোৱা গণিত বিষয়ৰ প্ৰশ্নকাকতৰ পেকেটৰ 'ছীলড' খোলা অৱস্থাত থকা বুলি তথ্য পোৱা হৈছে। অনুৰূপ কাৰ্যত লিপ্ত হৈছিল চৰকাৰী খণ্ডৰ তিনিখন শিক্ষানুষ্ঠানে। অৰ্থাৎ এই শিক্ষানুষ্ঠানকেইখনৰ পৰাই প্ৰশ্নকাকত ফাদিল হোৱাৰ সন্দেহ কৰা হৈছে। সন্দেহৰ আৱৰ্তত সোমাই পৰা ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানকেইখন হ'ল- বৰপেটা জিলাৰ পাল হাজিৰ আজাদ আঞ্চলিক জাতীয় বিদ্যালয়, বজালী জিলাৰ পাঠশালাৰ বজালী একাডেমী অব এক্সিলেঞ্চ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল, কাছাৰ জিলাৰ এডিথ ড'গ্লাছ এইচএছ স্কুল, প্ৰেছিডেঞ্চী ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল, ধেমাজি জিলাৰ এনচিডি ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল, সুভিদ্য আৰইএম এইচএছ স্কুল, পশ্চিম জোনাই ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল, হাইলাকান্দি জিলাৰ হাইলাকান্দি ছায়েঞ্চ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল, কামৰূপ (মহানগৰ) জিলাৰ ড° ভবেন্দ্ৰনাথ শইকীয়া ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল, লখিমপুৰ জিলাৰ বঙালমাৰা একাডেমী ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল, মাজুলী জিলাৰ বিবেকানন্দ বিদ্যালয়, নগাঁও জিলাৰ বগৰীগুৰি এডভান্সড একাডেমী ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল, আলফা বিটা ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল, এছএএছ ইণ্টাৰনেচনেল মডেল স্কুল আৰু নলবাৰী জিলাৰ এমবিচিএছ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল। সেইদৰে চৰকাৰী খণ্ডৰ শিক্ষানুষ্ঠানকেইখন হ'ল- ধুবুৰী জিলাৰ লক্ষীগড় এইচ এছ স্কুল, কামৰূপ (মহানগৰ) জিলাৰ আৰ্য বিদ্যাপীঠ এইচ এছ স্কুল আৰু কামৰূপ জিলাৰ ৰঙিয়া গাৰ্লছ এইচ এছ স্কুল। লক্ষণীয়ভাৱে ব্যক্তিগত তথা চৰকাৰী খণ্ডৰ এই শিক্ষানুষ্ঠানকেইখনৰ বিৰুদ্ধে সংশ্লিষ্ট বিদ্যালয়সমূহৰ পৰিদৰ্শকক এএছএছইবি দ্বিতীয় মণ্ডলৰ তৰফৰ পৰা এজাহাৰ দাখিল কৰিবলৈ কোৱা হৈছে। আৰক্ষীৰ তদন্তৰ ফলাফল নোপোৱা পৰ্যন্ত ১৫খন ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানকেইখনৰ স্বীকৃতি নিলম্বনৰ সময়ছোৱাত ২০২৫-২৬ শৈক্ষিক বৰ্ষৰ বাবে একাদশ শ্ৰেণীৰ নামভৰ্তিৰ অনুমতিও নাপাব। অৱশ্যে যিসকল ছাত্ৰ-ছাত্ৰীয়ে একাদশ শ্ৰেণীত অধ্যয়ন কৰি আছে বা পৰীক্ষাত অৱতীৰ্ণ হৈছে তেওঁলোকে অধ্যয়ন অব্যাহত ৰাখিব পাৰিব। তিনিখন চৰকাৰী শিক্ষানুষ্ঠানৰ ক্ষেত্ৰত আইনী ব্যৱস্থা গ্ৰহণ কৰিবলৈ এএছএছইবিৰ দ্বিতীয় সংমণ্ডলৰ সচিবে নিশাৰ ভাগত আনুষ্ঠানিকভাৱে পত্ৰ প্ৰেৰণ কৰিছে বিদ্যালয় শিক্ষা বিভাগৰ সচিবলৈ।

# ফাদিল হোৱা প্ৰশ্নকাকতেৰে

পৰিদৰ্শকক অৱগত কৰিছিল। সেইমৰ্মে উক্ত বিষয়টো গুৰুত্বসহকাৰে লৈ পৰিদৰ্শকগৰাকীয়ে ছাত্ৰ সন্থাৰ নেতৃত্বক এই সন্দৰ্ভত বিহিত ব্যৱস্থা গ্ৰহণৰ আশ্বাস দিছিল। ফিল'বাৰী আছুৰ সভাপতি সমীৰণ দত্ত আৰু সম্পাদক দ্বীপ বিছান সোণোৱালে জনোৱা মতে, প্ৰথমে ফিল'বাৰী ভূঞা গাঁও নিৱাসী জনৈক বৰা নামৰ ছাত্ৰ এজনে মাৰ্ঘেৰিটাৰ এজন ছাত্ৰৰ পৰা ম'বাইল ফোনৰ হোৱাটছ এপৰ জৰিয়তে অৰ্থনীতি বিষয়ৰ প্ৰশ্নকাকতখন লাভকৰিছিল। তাৰ পিছত উক্ত ছাত্ৰজনে আন ছাত্ৰ-ছাত্ৰীক প্ৰশ্নকাকতখন বিলাইছিল। শনিবাৰে পুৱাৰ ভাগত বিভিন্ন প্ৰচাৰ মাধ্যমত খবৰটো বিয়পি পৰাৰ পিছতে ফিল'বাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ তুলসী উপাধ্যায়ে বিষয়টোৰ উচিত তদন্তৰ বাবে অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদক আহ্বান জনায়। শিক্ষা পৰিষদে সকলো জানি-বুজিও কোনোধৰণৰ সালসলনি নকৰাকৈ ফাদিল হোৱা প্ৰশ্নকাকতেৰে পৰীক্ষা অনুষ্ঠিত কৰাৰ পিছত স্বাভাৱিকতে শৈক্ষিক মহলত যথেষ্ট প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। যিহেতুকে ফিল'বাৰীকে ধৰি ৰাজ্যৰ আন প্ৰান্তত অৰ্থনীতি বিষয়ৰ প্ৰশ্নকাকত শুকুৰবাৰে নিশাই ফাদিল হোৱা বুলি একাংশ সংবাদ মাধ্যমে বাতৰিযোগে প্ৰচাৰ কৰাৰ পিছতো শিক্ষা পৰিষদৰ বিষয়ববীয়াসকলে বিষয়টোক গুৰুত্বসহকাৰে গ্ৰহণ নকৰিলে। শিক্ষা বিভাগে ইচ্ছা কৰিলে শনিবাৰে পুৱাৰ ভাগতে পৰীক্ষা বাতিল কৰি অথবা কিছু পলমকৈ হ'লেও নতুন প্ৰশ্নকাকতেৰে পৰীক্ষা অনুষ্ঠিত কৰিব পাৰিলেহেঁতেন। কিন্তু সেয়া নকৰি জানি-শুনিও অজলাৰ ভাও ধৰা শিক্ষা পৰিষদৰ এনেধৰণৰ নাভূত-নাশ্ৰুত নিৰ্দেশনাই ৰাজ্যৰ মেধাৱী ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যতক যে অন্ধকাৰলৈ ঠেলি দিছে, সেয়া সম্প্ৰতি প্ৰতিফলন হৈছে।

# Space Xত কৰ্মৰত অসমীয়া

অনুভৱ কৰিছোঁ। দৰং জিলাৰ ছিপাঝাৰৰ হাজৰিকাপাৰাত জন্মগ্ৰহণ কৰা তথা কম্পিউটাৰ বিজ্ঞানৰ অভিযন্তা শৰ্মাই মহাকাশচাৰীসকলক পৃথিৱীলৈ ওভতাই অনা অভিযানটোত আগবঢ়াইছিল অৱদান। কৰ্মসূত্ৰে কেলিফৰ্ণিয়া নিবাসী ভৱানী শৰ্মাৰ এই সফলতাই আমাক আনন্দিত কৰি তুলিছে। ইলন মাস্কৰ মংগল গ্ৰহলৈ মানুহ পঠিওৱা অভিযানৰ লগতো জড়িত হৈ পৰিছিল তেখেত। ছয় সপ্তাহ পূৰ্বে ইলন মাস্কৰ স্পেচ এক্সৰ ড্ৰেগন যানৰ সৈতে জড়িত হৈ এই অভিযানটোত চামিল হৈ পৰে তেখেত।' ভৱানী শৰ্মালৈ উষ্ম অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰি নেতাদ্বয়ে কয়, 'ভৱানী শৰ্মাৰ এই কীৰ্তিয়ে অসমৰ নতুন প্ৰজন্মক বাৰুকৈয়ে অনুপ্ৰাণিত কৰিব বুলি আমি গভীৰভাৱে বিশ্বাসী। লুইতপাৰৰ অসমীয়াই একাগ্ৰ সাধনা, অধ্যৱসায় আৰু ঐকান্তিক প্ৰচেষ্টাৰে বিশ্ব সভাত এনেদৰে জিলিকি উঠাত আমি অভিভূত, আহ্লাদিত আৰু গৌৰৱান্বিত।'

# নিকুঞ্জ শৰ্মাৰ 'ব্ৰেকিং দ্য ছাইলেঞ্চ-

ড° উদীপ্ত নয়ন মেধিয়ে। ইউপিএছচি আৰু এপিএছচিত অৱতীৰ্ণ হ'বলগীয়া শিক্ষাৰ্থীসকলৰ সহায়ক হোৱাকৈ আৰু মহাবিদ্যালয় পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীৰ উপযোগী হোৱাকৈ লিখা গ্ৰন্থখন উন্মোচন কৰি উন্মোচক ড° মেধিয়ে চৌব্বিশ বছৰ বয়সতে নিকুঞ্জ শৰ্মাই লিখি উলিওৱা এই গ্ৰন্থখনে শিক্ষাৰ্থীসকলক যথেষ্ট সহায় কৰিব বুলি মন্তব্য কৰে আৰু লেখক শৰ্মাক এই ধাৰা অব্যাহত ৰখাৰ বাবে আশীৰ্বাদ দিয়ে। গ্ৰন্থ উন্মোচনী অনুষ্ঠানটোত সমাজসেৱী পুতুল বৰ্মা, আগশাৰীৰ ব্যৱসায়ী গণেশ কলিতা, অসমীয়া যুৱ জাগৰণ সমিতিৰ সভাপতি দেৱাশিস তালুকদাৰ, প্ৰকৃতিশ ভট্টাচাৰ্য, মৃগাক্ষী লাবাম ডেকাৰজা, ৰাজ দেৱনাথ, আকাশ হাজৰিকা, ৰোহিত তামাং, জয়দীপ প্ৰমুখ্যে সমাজৰ বিভিন্ন ক্ষেত্ৰৰ লোক উপস্থিত আছিল।

# বি চি পি এলে বছৰি

নৰেন্দ্ৰ মোদীয়ে ২০১৬ চনৰ ৫ ফেব্ৰুৱাৰীত উদ্বোধন কৰা এই প্ৰকল্প ঐতিহাসিক অসম চুক্তিৰ অংশ হিচাপে স্থাপন কৰা হৈছিল আৰু এতিয়া ন বছৰ পৰিচালনা সম্পূৰ্ণ কৰিছে। কিন্তু ইমানৰ পাছতো চৰম বিত্তীয় সংকটত পৰা ৰাজহুৱা খণ্ডৰ উদ্যোগ প্ৰতিষ্ঠানটোৰ প্ৰতি নামি আহিছে অনিশ্চয়তা। প্ৰকল্পটোক লোকচানৰ পৰা উদ্ধাৰ কৰিবলৈ কেনে ব্যৱস্থা গ্ৰহণ কৰিব লাগিব, তাৰ বাবে ৰাজ্য চৰকাৰে চিন্তা কৰি আছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে বৰ্তমান ভাৰত চৰকাৰৰ অধীনৰ এই প্ৰকল্পটোৱে ৯ বছৰ সম্পূৰ্ণ কৰিছে। আগন্তুক সময়ত চৰকাৰৰ সহায় লৈ হ'লেও ইয়াৰ স্থায়ী সমাধানৰ চিন্তা কৰিব লাগিব। উল্লেখ্য যে মুখ্যমন্ত্ৰীগৰাকীয়ে বিচিপিএলৰ কেন্দ্ৰীয় নিয়ন্ত্ৰণ কক্ষ, পণ্যাগাৰ, উৎপাদনস্থলী আদি পৰিদৰ্শন কৰাৰ লগতে কেইবাগৰাকীও শীৰ্ষ বিষয়াৰ উপস্থিতিত এখন পৰ্যালোচনা বৈঠকত মিলিত হৈ প্ৰতিষ্ঠানটোৰ শেহতীয়া কাম-কাজ, উন্নয়ন তথা ভৱিষ্যতৰ পৰিকল্পনা, উৎপাদিত সামগ্ৰীৰ বিবিধতা বৃদ্ধি, প্ৰতিষ্ঠানটোৱে সন্মুখীন হোৱা সমস্যা আদিক লৈ বিস্তৃতভাৱে আলোচনা কৰে। আগন্তুক সময়ত বিচিপিএলে যাতে অধিক সবলভাৱে উদ্ভাসিত হ'ব পাৰে তাৰ বাবে ৰাজ্য চৰকাৰে সম্ভৱপৰ সকলো সহযোগিতা আগবঢ়াব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ পৰিদৰ্শনকালত উদ্যোগ মন্ত্ৰী বিমল বৰা, মন্ত্ৰী প্ৰশান্ত ফুকন, অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱাও উপস্থিত থাকে।

# দিল্লী উচ্চ ন্যায়ালয়ৰ

বাৰ্মাৰ পৰিয়ালৰ সদস্যসকলক এই ধন সন্দৰ্ভত সোধা- পোছা কৰে যদিও কোনোধৰণৰ সদুত্তৰ দিব নোৱাৰিলে। আনকি ন্যায়াধীশ যশৱন্ত বাৰ্মায়ো এই টকাৰ পাহাৰ সন্দৰ্ভত বিশেষ তথ্য দিব নোৱাৰিলে। আৰক্ষীয়ে ন্যায়াধীশগৰাকীৰ বিৰুদ্ধে ইতিমধ্যে উপাৰ্জন বহিৰ্ভূত সম্পত্তিৰ গোচৰ ৰুজু কৰিছে। ন্যায়াধীশৰ বাসগৃহত বিপুল পৰিমাণৰ নগদ ধন উদ্ধাৰক লৈ উদ্বিগ্ন উচ্চ ন্যায়ালয়ে তৎকালীনভাৱে ব্যৱস্থা গ্ৰহণ কৰি যশৱন্ত বাৰ্মাক এলাহাবাদলৈ বদলি কৰিছে। ইতিমধ্যে এই বিষয়টো তদন্তৰ বাবে উচ্চ ন্যায়ালয়ৰ ৫জনীয়া ন্যায়াধীশৰ কমিটী গঠন কৰা হৈছে। এই কমিটীয়ে প্ৰাৰম্ভিক তদন্তত যশৱন্ত বাৰ্মাক এলাহাবাদ উচ্চ ন্যায়ালয়লৈ বদলিৰ নিৰ্দেশ দিয়ে। ৫জনীয়া কমিটীৰ কেইবাজনে ন্যায়াধীশ যশৱন্ত বাৰ্মাক কঠোৰ শাস্তি বিহাৰ পক্ষত আছে যদিও এতিয়ালৈকে বদলিৰ বাদে বিশেষ ব্যৱস্থা গ্ৰহণ কৰা নাই। দেশৰ ন্যায়িক ব্যৱস্থাৰ বিশ্বাসযোগ্যতা হানি হোৱা এই ঘটনাক লৈ দেশজুৰি ব্যাপক চৰ্চা লাভ কৰিছে। গুৰুত্বপূৰ্ণ যে বাসগৃহত অগ্নিকাণ্ড সংঘটিত হোৱাৰ সময়ত ন্যায়াধীশ যশৱন্ত বাৰ্মা উপস্থিত নাছিল। ২০২১ চনত দিল্লী উচ্চন্যায়ালয়ত নিযুক্তি লাভ কৰা ন্যায়াধীশ যশৱন্ত বাৰ্মা ইয়াৰ পূৰ্বেও বিতৰ্কৰ সৈতে সাঙোৰ খাই আছে। ইপিনে, দিল্লীৰ বাসগৃহত বুজন পৰিমাণৰ ধন উদ্ধাৰ হোৱাৰ পাছত ন্যায়াধীশ যশৱন্ত বাৰ্মাক এলাহাবাদ উচ্চ ন্যায়ালয়লৈ বদলি কৰা সন্দৰ্ভত তীব্ৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে বাৰ এছ'চিয়েচনে। এলাহাবাদ উচ্চ ন্যায়ালয়ক ডাষ্টবিন হিচাপে ব্যৱহাৰ নকৰিবলৈ দাবী জনাইছে উচ্চন্যায়ালয়ৰ বাৰ এছ'চিয়েচনে।

# গৌতম কলিতালৈ ডক্টৰেট

কথা তেওঁ ভালদৰে জ্ঞাত। নিজেই স্বাৱলম্বী হোৱাৰ লগতে কলিতাই বহু স্থানীয় যুৱক-যুৱতী, পুৰুষ-মহিলাক কোম্পানীত নিয়োগ কৰি কৰ্ম সংস্থাপন দিবলৈ সক্ষম হয়। গুজৰাটৰ দৰে ৰাজ্যৰ পৰাই তেওঁ অসমীয়াক আত্মনিৰ্ভৰশীল হোৱাৰ এটা নতুন বাট দেখুৱাবলৈ সক্ষম হৈছে। গুজৰাটত স্থাপন কৰা সেই সাৰ কোম্পানীটোৰ এটা পেকেজিং গোট গুৱাহাটীৰ চন্দ্ৰপুৰত প্ৰতিষ্ঠা কৰি বহুতো দুখীয়া নিবনুৱা যুৱক-যুৱতীক কৰ্ম সংস্থাপন দিয়াৰ লগতে বিভিন্ন ৰাজ্যকে ধৰি অসমৰ প্ৰতিখন জিলাত নিজৰ কোম্পানীৰ ডীলাৰ নিয়োগ কৰে। শিক্ষিত তথা উদ্যমী যুৱকজনৰ একক প্ৰচেষ্টাত গঢ় লৈ উঠা 'এগ্ৰিকেয়াৰ বায়'টেক'-এ বৰ্তমান প্ৰায় ৬০ বিধ সাৰ আৰু চাপ্লিমেণ্ট উৎপাদন কৰে। কটন মহাবিদ্যালয়ৰ ৰসায়ন বিজ্ঞানৰ স্নাতকোত্তৰ ডিগ্ৰীধাৰী কলিতাই সাৰ কোম্পানীটোৰ ৬০০-ৰো অধিক ডীলাৰৰ লগতে সহস্ৰাধিক পাইকাৰী ব্যৱসায়ীৰ জৰিয়তে বছৰি প্ৰায় ৮ৰ পৰা ১০ কোটি টকাৰ সাৰ যোগান ধৰিবলৈ সক্ষম হৈছে। সেই ধনেৰে বহু লোকক দৰমহা দি নিজেও আত্মনিৰ্ভৰশীল হৈছে।

# ENGLISH NEWS SECTION

## Chiranjeevi receives Lifetime Achievement Award in UK Parliament



RB News-Bridge India on Wednesday honoured actor Chiranjeevi with Lifetime Achievement Award for his contribution to "cultural influence and public service" in UK's House of Commons. The actor took to X and wrote, "Heart filled with gratitude for the honour...thank you to each one of my wonderful loving fans." "This motivates me to continue my work with greater vigour," Chiranjeevi added.

## BCCI announces 58 crore cash reward for Team India after Champions Trophy win



RB News-The BCCI on Thursday announced a cash reward of 58 crore for Team India following their win at the ICC Champions Trophy 2025. "This financial recognition honours the players, coaching and support staff and members of the Men's Selection Committee. Under the able and astute leadership of Captain Rohit Sharma, India dominated the tournament," the BCCI said.

## Saliva ban lifted for IPL 2025



RB News- The BCCI has taken a significant decision regarding the use of saliva on the ball in the upcoming Indian Premier League (IPL) season. After consulting with the majority of team captains, the BCCI has lifted the ban on the application of saliva to shine the ball. This move comes after the International Cricket Council (ICC) had initially imposed a temporary ban on the use of saliva as a precautionary measure during the COVID-19 pandemic. However, in 2022, the ICC made this ban permanent, citing health and safety concerns.

## No Ban for Slow Over Rate in IPL 2025



RB News-The IPL scrapped rule that imposed a one-match ban on captains after three over-rate offences in a single season. Starting from IPL 2025, over-rate offences will only result in fines and in-game fielding restrictions. However, any sanctions imposed before the 2025 season will still be enforced, meaning MI captain Hardik Pandya will remain suspended for the first IPL 2025 match.

## KKR vs LSG match shifted to Guwahati

RB News-The Indian Premier League (IPL) 2025 has witnessed its first scheduling change, with the Kolkata Knight Riders (KKR) home match against the Lucknow Super Giants (LSG) being relocated from Eden Gardens in Kolkata to Guwahati. This decision comes in light of the Ram Navami celebrations taking place in Kolkata on April 6, the original scheduled date for the match.

## RCB defeated defending champions KKR by 7 wickets



RB News- Royal Challengers Bengaluru (RCB) demolished reigning champions Kolkata Knight Riders (KKR) by seven wickets in the opening game of IPL 2025 at Eden Gardens on Saturday. KKR managed to post a total of just 174, which RCB chased down in just 16.2 overs. Krunal Pandya (3/29) and Josh Hazlewood (2/22) starred with the ball, before Phil Salt and Virat Kohli showed their class, smashing half-centuries en route to a dominant win. For KKR, captain Ajinkya Rahane's half-century was the only positive.

## Kirsty Coventry elected as 1st woman IOC President



RB News- Kirsty Coventry has been elected as the tenth President of the International Olympic Committee (IOC) at the 144th IOC Session. With this, Coventry, a former Zimbabwean swimmer, became the organisation's first female and first African president in its 130-year history. She succeeds outgoing President Thomas Bach and will assume office on June 23, celebrated as Olympic Day.

## Pakistan chase down 205-run target in 16 overs



RB News-On Friday, March 21, Pakistan chased down a 205-run target in just 16 overs, to register a famous victory by nine wickets in the third T20I of the five-match series. In the run chase, Hasan Nawaz, the right-handed opening batter, scored his maiden hundred, to ensure that the Men in Green got past the finishing line.

# শব্দহীন অনুভৱৰ মায়াজাল



কিমান অপূৰ্ব এই অনুভৱ, কাৰোবাক নিজৰ মৰমৰ আকৰ্ষণত আবদ্ধ কৰা, যেন বিখণ্ডিত জ্যোতিয়ে আকাশৰ আদৰণি লাভ কৰা। কিমান মোহনীয় সেই মুহূৰ্ত যেতিয়া অপহৃত এটি দৃষ্টি হৃদয়লৈকে প্ৰৱাহিত হয়। কেতিয়াবা গুপ্ত দৃষ্টি নিক্ষেপ, কেতিয়াবা মাত্ৰ অনুভূতিৰে উপলব্ধি, কেতিয়াবা দুৰত্বত লুকাই হাঁহিৰ কোমলতা বিস্তাৰ, যেন এটি গুপ্ত গাঁঠি, যি কেৱল নেত্ৰজ্যোতিত লিখা হৈ আছে। কিমান প্ৰশান্তি কাৰোবাৰ হাঁহি আনন্দৰ উৎস হৈ উঠা, যেন উত্তাৱল সাগৰে ওচৰৰ পাৰ পাই শান্তি লাভ কৰা। কিমান বিস্ময়জনক কাৰোবাৰ বাবে অপৰিহাৰ্য হোৱা, যেন জোনে প্ৰতিনিশা সূৰ্যৰ কোলাত আশ্ৰয় বিচৰা। সেই দৃষ্টি, যি সকলো কথা শব্দহীন ভাষাত ব্যক্ত কৰিব পাৰে, সেই গুপ্ত অনুভৱ, যি মাত্ৰ হৃদয়ত প্ৰতিফলিত হয়। এইটোকে প্ৰেমৰ মায়াজাল বোলে, যি একো নোকোৱাকৈয়ে সকলো প্ৰকাশ কৰি দিয়ে।

**নাচিমা য়াচমিন, বিশ্বনাথ চাৰিআলি**

# কিশোৰ সাহিত্য আৰু

জনৰ চৰিত্ৰটি ঔপন্যাসিকে বিশ্বাসযোগ্যভাৱে অংকন কৰিছে। সাধাৰণতে জ্যেষ্ঠসকলৰ চকুত নপৰা কিছুমান কিশোৰসুলভআচৰণ খুটি-নাতি মাৰি বৰ্ণনা কৰাৰ বাবে 'মৰমৰ দেউতা' উপন্যাসখনে সকলো শ্ৰেণীৰ পাঠককে পঠনসুখ দিবলৈ সক্ষম।

ড° শইকীয়াৰ উপন্যাসখনে মনত পেলাই দিয়ে বন্দিতা ফুকনৰ 'সাদিন' কাকতৰ বসন্ত সংখ্যা (১৯৯৬ চন)ত প্ৰকাশিত 'ভেলেন্টাইন্ ডে" শীৰ্ষক গল্পটিলৈ। এই গল্পটিত আধুনিক মধ্যবিত্ত পৰিয়ালৰ কিশোৰী এগৰাকীৰ জেদ-অভিমান, একাকীত্ব আদি যথাযথভাৱে বৰ্ণিত হৈছে। ৰশ্মি নামৰ জেদী কিশোৰী এগৰাকীয়ে আলোচনা-চক্ৰ এখনত অংশগ্ৰহণ কৰি কিছু পলমকৈ অহা মাকক কৈছে- 'নেলাগে নেলাগে। তোমাৰ খালি কাম আৰু কাম। বন্ধৰ দিনটোতেই মোক আৰু প্ৰীতিক 'কম্পেনী' দিব পাৰা, এতিয়া দেখিছো সেইটোও শেষ হ'ল, আনৰ মাকবোৰ... নাই, সেইবোৰ কথা কৈ তোমাক অন্ততঃ লাভ নাই।' ৰশ্মিয়ে মাকৰ পৰা এখন ভেলেন্টাইন্ কাৰ্ড লাভ কৰাৰ পাছতেই মাকৰ প্ৰতি থকা সকলো অভিমান-অভিযোগ পাহৰি গৈছে।

**আগলৈ...**




ৰঙিলী বাৰ্ত্তা কৰ্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ ড° উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286